।। চিৰ চেনেহী মোৰ ভাষা জননী।।

## লক্ষীমপুৰ জিলা সাহিত্য সভাৰ

দ্বি-বাৰ্ষিক কাব্য পত্ৰিকা

(প্ৰথম সংখ্যা)

# কাব্য কানন

২০২৫ - ২০২৭ বৰ্ষ

**সম্পাদক**

**অপৰাজিতা হাজৰিকা**

**লক্ষীমপুৰ জিলা সাহিত্য সভা**

মুখ্য কাৰ্যালয় ঃ লক্ষীবিলাস শইকীয়া ভৱন

মৈদমীয়া, লক্ষীমপুৰ-৭৮৭০৩২

জিলা সাহিত্য সভা পত্ৰিকা
২০২৫ - ২০২৭ বৰ্ষ
(প্ৰথম সংখ্যা)

**পত্ৰিকা সম্পাদক ঃ**
অপৰাজিতা হাজৰিকা

**প্ৰচ্ছদ ঃ**
নিপন পূজাৰী
দেৱজিত দত্ত

**অক্ষৰ বিন্যাস আৰু অংগসজ্জা ঃ**
বোধেন বৰুৱা

**অৰিহণা ঃ**
৭০/- টকা

**মুদ্ৰণ ঃ**


# কাব্য কানন

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ বাৰ্ষিক কাব্য পত্ৰিকা ঃ ২০২৫-২৭ বৰ্ষ
(প্ৰথম সংখ্যা)

## সম্পাদনা সমিতি

সঞ্জীৱ উপাধ্যায়, সভাপতি

গোলাপ দিহিঙ্গীয়া, কাৰ্যকৰী সভাপতি

অপৰাজিতা হাজৰিকা, সম্পাদক

নিপন পূজাৰী, সহযোগী সম্পাদক

ড° স্বপ্নালী গগৈ, সদস্য
মাধৱ বৰা, সদস্য


প্ৰকাশক ঃ
প্ৰবীণ হাজৰিকা, সম্পাদক, লক্ষীমপুৰ জিলা সাহিত্য সভা।

মুখ্য কাৰ্যালয় ঃ
লক্ষীবিলাস শইকীয়া ভৱন, মৈদমীয়া, লক্ষীমপুৰ-৭৮৭০৩২

# শুভেচ্ছা বার্তা

*"চিৰ চেনেহী মোৰ ভাষা জননী"*

# লক্ষীমপুৰ জিলা সাহিত্য সভা

লক্ষীবিলাস শইকীয়া ভৱন, মৈদমীয়া, উত্তৰ লক্ষীমপুৰ।
লক্ষীমপুৰ, অসম। সূচাংক - **৭৮৭০৩২**

স্থাপিত ঃ **১৯৮২** চন।

**সঞ্জীৱ উপাধ্যায়**
সভাপতি
ফোন ঃ **৭০০২১৩০৬৬০**

**প্ৰবীণ হাজৰিকা**
সম্পাদক
ফোন ঃ **৯৭০৬৭৬২৮০৬**

প্ৰসঙ্গঃ লঃজিঃসাঃসঃ **২৭/২৫**

দিনাংক ঃ- **২/০৭/২০২৫**

# শুভেচ্ছা বাৰ্তা

'কাব্যশোভাকৰান্ ধৰ্মানলংকাৰন্ প্ৰচক্ষতে।' আচাৰ্য দণ্ডীৰ এই প্ৰসঙ্গৰ পৰা আমি জানিব পাৰোঁ যে, যিবোৰ ধৰ্মই কাব্যৰ শোভাবৰ্ধন কৰে তেতিয়া অলংকাৰ সৃষ্টি হয়। গতিকে অলংকাৰ মিশ্ৰিত কাব্য নতুবা কবিতা হ'ল এক ধৰণৰ সাহিত্য যাৰ ভাষা ছন্দ আৰু শব্দ ব্যৱহাৰৰ মাধ্যমত নান্দনিক আৰু আবেগময় অনুভূতি প্ৰকাশ পায়। সাধাৰণতে পাঠকক আনন্দ আৰু আবেগ সৃষ্টি কৰা গভীৰ চিন্তাভাবনা শিল্পময় ভংগীত প্ৰকাশিত হ'লে কবিতা সুখপাঠ্য হয়।

লক্ষীমপুৰ জিলা সাহিত্য সভাই প্ৰকাশ কৰি অহা কবিতা চৰ্চাৰ পত্ৰিকা, কাব্য কানন, **২০২৫-২৭** বৰ্ষৰ জিলা সমিতিয়ে সম্পাদনা সমিতিৰ সহযোগত প্ৰকাশৰ প্ৰস্তুতি কৰা বুলি জানিবলৈ পাই সুখী অনুভৱ কৰিছোঁ। জিলা সমিতিৰ দায়িত্ব গ্ৰহণ কৰা ছমহীয়া কাৰ্যকালৰ দ্বিতীয় কাৰ্যনিৰ্বাহক সভাত 'কাব্য কানন' প্ৰকাশ কৰিবলৈ সম্পাদনা সমিতিৰ সম্পাদক অপৰাজিতা হাজৰিকাই যি প্ৰচেষ্টা হাতত লৈছে তাৰবাবে সম্পাদকক ধন্যবাদ জ্ঞাপন কৰিছোঁ। নবীন-প্ৰবীন কবিসকলৰ সৃজনীমূলক প্ৰতিভাৰে সমৃদ্ধ হৈ 'কাব্য কানন' সৰ্বাংগসুন্দৰ হ'ব বুলি আশা ৰাখিলোঁ।

**(সঞ্জীৱ উপাধ্যায়)**
সভাপতি
লক্ষীমপুৰ জিলা সাহিত্য সভা।

# সম্পাদনাৰ অন্তৰালত....

***“চিৰ চেনেহী মোৰ ভাষা জননী”***

সাহিত্য মানেই তেজোদীপ্ত শব্দৰ বিন্যাস। লেখকৰ মন গহণত উপচি থকা বিভিন্ন প্ৰকাৰৰ ভাৱৰ সম্প্ৰসাৰণৰ জৰিয়তে সৃষ্ট কবিতা হ'ল - একপ্ৰকাৰৰ অমৃতফল; যাৰ ৰসে স্পৰ্শ কৰে পাঠক সমাজৰ মনোময় অন্তৰ্জগত। স্পৰ্শ আৰু জয় কৰি হৃদয় সৃষ্টি কৰে বিমল আনন্দ।

‘কাব্য কানন’ সাহিত্যানুৰাগীৰ এক মহান প্ৰচেষ্টা। ২০২৫ - ২০২৭ বৰ্ষৰ ‘কাব্য কানন’ পত্ৰিকাখনি প্ৰকাশৰ অন্তৰালত লক্ষীমপুৰ জিলাৰ সাহিত্য সভাৰ মাননীয় সভাপতি মহোদয় শ্ৰীযুত সঞ্জীৱ উপাধ্যায় আৰু মাননীয় সম্পাদক শ্ৰীযুত প্ৰবীণ হাজৰিকাদেৱৰ উদ্‌গণি মোৰ বাবে চিৰস্মৰণীয়। দুয়োজনলৈ একাঁজলী শ্ৰদ্ধাৰ্ঘ অৰ্পণ কৰিলোঁ। এইখিনিতে শলাগনীয় পদক্ষেপেৰে মোক দিহা-পৰামৰ্শ দি কৃতাৰ্থ কৰা ‘কাব্য কানন’ৰ সম্পাদনা সমিতিৰ সভাপতি শ্ৰীযুত গোলাপ দিহিঙ্গীয়া দেৱলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। তদুপৰি লক্ষীমপুৰ জিলাৰ চাৰিসীমাৰ মাজৰ যিসকল কবিয়ে ‘কাব্য কানন’ অলংকৃত কৰিলে, সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা নিবেদিলোঁ।

‘কাব্য কানন’ যুগুতাওঁতে মোৰ প্ৰতিটো পদক্ষেপতে সময় দি সহায়ৰ হাত আগবঢ়োৱা নিপন পূজাৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। একেৰাহে কেইবাদিন ধৰি কম্পিউটাৰ মাধ্যমেৰে কবিসকলৰ হস্তাক্ষৰক ছপা ৰূপ দিয়া বোধেন বৰুৱাৰ কষ্টৰ শলাগ লৈছোঁ। বেটুপাতত সৃজনী প্ৰতিভাৰ প্ৰকাশ ঘটোৱা দেৱজিত দত্তৰ লগতে ছপাশালৰ সমূহ কৰ্মকৰ্তালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত, পুথিখনি যুগুতাওঁতে অজানিতে ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

ধন্যবাদ সহকাৰে-

**অপৰাজিতা হাজৰিকা**

# কাব্য কাননৰ কবিতাসূচী


| | | |
|---|---|---|
| ● সপোনবিলাসী শিশু | ✍ সঞ্জীৱ উপাধ্যায় | ৯ |
| ● পূৱ আকাশৰ জুই | ✍ ড° তৰুণ চন্দ্ৰ বৰা | ১১ |
| ● হে দেৱদূত | ✍ ধনদা দেৱী | ১২ |
| ● এটি বনিয়ন | ✍ গোলাপ দিহিঙীয়া | ১৪ |
| ● সত্যালাপ | ✍ জিতেন বৰুৱা | ১৬ |
| ● স্বাধীনতা | ✍ লাৱণ্য দত্ত শইকীয়া | ১৮ |
| ● নিলাজী | ✍ ডম্বৰু ধৰ বৰদলৈ | ২০ |
| ● ইস্তাহাৰ | ✍ চন্দিকা দত্ত কোঞৱৰ | ২২ |
| ● ফুলৰ ৰাগত | ✍ নৃপেন ফুকন | ২৪ |
| ● জীৱনৰ স্বপ্ন গান | ✍ জিনুমনি সাধনী বৰা | ২৫ |
| ● পাৰৰ পাখি | ✍ ৰাজিত চাংমাই | ২৭ |
| ● সুবাসিত জীৱনৰ স্বপ্ন | ✍ প্ৰবীণ হাজৰিকা | ২৮ |
| ● টোকোৰা চৰাইবোৰৰ হাহাকাৰ | ✍ আইচেনা টাং | ৩০ |
| ● ফাগুন | ✍ বিদ্যুৎ প্ৰভা ফুকন | ৩২ |
| ● ওৰণি তলৰ জোন | ✍ চন্দ্ৰ কুমাৰ দত্ত | ৩৪ |
| ● অজুহাত | ✍ দিলীপ পৰাজুলী | ৩৬ |
| ● আই বসুমতী | ✍ নীৰপ্ৰভা ফুকন | ৩৭ |
| ● নতুন কবিতাৰ বাবে.. শৈল্পিক সময় | ✍ বিতোপন গগৈ | ৩৯ |
| ● ঔম শান্তি | ✍ মামনি গগৈ শইকীয়া | ৪১ |
| ● কবিতাই মোৰ প্ৰাণ বিশালতাৰ গান | ✍ জ্যোতি চলিহা | ৪৩ |
| ● ঠিকনা বিহীন এজোপা বটবৃক্ষ | ✍ ৰঞ্জিতা হাজৰিকা চেতিয়া | ৪৪ |
| ● ৰঙানৈ | ✍ ৰেণু ভূএঞা | ৪৫ |
| ● এখন জীয়া ছবি | ✍ বিনীতা গগৈ | ৪৭ |
| ● সোৱনশিৰি | ✍ বাসন্তী ভূএঞা | ৪৮ |
| ● নিসংগতাৰ খোজ | ✍ সুচিত্ৰা শইকীয়া | ৫০ |
| ● আই | ✍ উমেশ্বৰী ভূএঞা | ৫১ |
| ● সোণগুটি | ✍ কলেশ্বৰ নৰহ | ৫২ |

# কাব্য কাননৰ কবিতাসূচী


| | | |
|---|---|---|
| ● জেঠ | ✍ দিপালী চেতিয়া মজুমদাৰ | ৫৪ |
| ● খেতিয়ক | ✍ প্ৰণৱ কুমাৰ হাজৰিকা | ৫৫ |
| ● অন্তহীন ভাৱনা | ✍ দিপ্তী ভূঞা | ৫৬ |
| ● সোৱণশিৰি | ✍ ভূপেন আৰন্ধৰা | ৫৮ |
| ● মৰহা ফুলৰ বাণী | ✍ ডিম্বেশ্বৰ ফুকন | ৫৯ |
| ● বিশ্বস্ত সংগী | ✍ মল্লিকা বৰা | ৬০ |
| ● মৰমৰ জননী মোৰ আই | ✍ পদ্মেশ্বৰ পেগু | ৬২ |
| ● কথাৰ পাক | ✍ প্ৰতিমা বুঢ়াগোহাঁই | ৬৪ |
| ● নদীমাতৃ | ✍ গুণ ভূঞা | ৬৬ |
| ● শান্তি ঘূৰাই দিয়া | ✍ অনিমা বৰুৱা | ৬৮ |
| ● ৰাধা | ✍ ৰুপাঞ্জলি ভূঞা | ৭০ |
| ● মৰমৰ প্ৰতিবাদ কৰিম | ✍ বিকাশজ্যোতি ভূঞা | ৭২ |
| ● সূতা | ✍ মাধৱ বৰা | ৭৩ |
| ● তেজীমলা | ✍ গোলাপী ভূঞা বৰা | ৭৪ |
| ● কিযে গৰম | ✍ লাৱণ্য ৰাণু ফুকন | ৭৬ |
| ● এটা মৃতদেহৰ আত্মকথা | ✍ বিপ্লৱ বৰা | ৭৭ |
| ● আহিনে আনে শৰতৰ ঠিকনা | ✍ বন্দনা শৰ্মা | ৭৯ |
| ● আই | ✍ বিনোদ বিহাৰী বসুমতাৰী | ৮০ |
| ● জলছবি | ✍ ৰুলি শৰ্মা পূজাৰী | ৮২ |
| ● ডিচ্কাউন্ট | ✍ নৱজ্যোতি ভূঞা হাজৰিকা | ৮৪ |
| ● মিউজিয়াম | ✍ নিপন পূজাৰী | ৮৭ |
| ● প্ৰেমিক চৰাই | ✍ ড° স্বপ্নালী গগৈ | ৮৮ |
| ● অনাখৰী | ✍ বৰ্ণালী গগৈ | ৯১ |
| ● বাসনাৰ এঁৰা সূতা | ✍ জেমী গগৈ | ৯৩ |
| ● ৰঙানদী | ✍ দ্ৰোণ হাজৰিকা | ৯৫ |
| ● হয়তো আজিও | ✍ অনন্যা সন্দিকৈ | ৯৬ |
| ● শকুন্তলা | ✍ অপৰাজিতা হাজৰিকা | ৯৮ |
| ● সহজ কি | ✍ ললিত শইকীয়া | ১০০ |

# ।। চিৰ চেনেহী মোৰ ভাষা জননী ।।

চিৰ চেনেহী মোৰ ভাষা জননী।
ধন্যে পুণ্যে হৃত পাৱনী, আই।।
প্ৰকৃতি পৰশ ৰসে অমল কমল
চঞ্চল হৃদি জলে ঢালে পৰিমল
কোমল চপাৰ কলি
ঢৌৱে ঢৌৱে ঢৌৱে  তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিণী।।
সংসাৰ গুৰুভাৱে অৱশ পৰাণ
হিয়াত বিলীন হয় হিয়াভৰা গান
কাৰ নিচুকনি শুনা
শুনি বানী ব্যথা পমা
চকুতে চকুৰ নীৰে লয় জিৰণি।
জীৱনে মৰণে ৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিঁচা শতধাৰ
হে’ মোৰ মধুৰননা
মাগিছোঁ মাধুৰী কণা
দিয়া দিয়া দিয়া আই মধুভাষিণী।।

ৰচনা - মিত্ৰদেৱ মহন্ত
স্বৰলিপি - ইন্দ্ৰেশ্বৰ শৰ্মা

# সপোনবিলাসী শিশু

**সঞ্জীৱ উপাধ্যায়**

ভৱিষ্যতে ডাঙৰ মানুহেই নহয়
ভাল মানুহ হোৱাৰ আছে সপোন সিহঁতৰ
চন পৰা পথাৰ সেউজীয়া কৰা গীত গাই গাই
মানুহৰ বাবে কৰ্ম পটুতাৰে স্থিতপ্ৰজ্ঞ হৈ
পথাৰ আৰু বজাৰ আপোন কৰাৰ লক্ষ্য আছে সিহঁতৰ

পাঁচটা বছৰত এবাৰ আহি বিজয় তিলক পিন্ধি
মানুহৰ জয় গান গোৱা এচাম চতুৰ দেশভক্ত হোৱাৰ
নাই তেনে লক্ষ্য, নেতা নহয়, নিদিয়ে প্ৰশ্ৰয়

ডাঙৰ মানুহেই হ'ব নোখোজে সিহঁতে
দহো আঙুলিত আছে সৃষ্টিৰ নৱজাগৰণ
নদীৰ উচুপনি নকৰে সিহঁতে পচন্দ
বন্যজন্তুৰ আৰ্তনাদ হৃদয়ঙ্গম কৰিব বিচাৰে
ভোকাতুৰ বস্ত্ৰহীন মানুহৰ আৰ্তনাদ সিহঁতে দেখিছে
বুজি উঠিছে ৰক্ত ধমনীৰ ঢৌ উঠা-নমা
হাঁহি বিৰিঙাব খোজে অন্তৰ জয় কৰি

জোনাক ভৰা আকাশ চোৰাৰ মন সিহঁতৰ
তৰা গণি গণি হাঁহিৰ সৰগ ৰচিব মৰতত
আকাশ চুব বিচাৰে একেলগে মিলি
কহুঁৱা বনৰ হৃদয় স্পৰ্শ কৰি শুকুলা শুভ্ৰ কৰে মন

ভাল মানুহ হোৱা হয় কিয় প্ৰয়োজন
সপোন দেখে তেওঁলোকে তেনে হাজাৰ সপোন
সপোনবিলাসী শিশুৰ তালিকাবদ্ধ হ'ব বিচৰা মন। ●

# পূৱ আকাশৰ জুই

**ড° তৰুণ চন্দ্ৰ বৰা**

পূৱ আকাশত জুই জ্বলিছে
সাৱধান হ' লাচিতৰ নাতি
কলীয়া ধোঁৱাই ধৰিছে ছানি
কঁপিছে শঙ্কৰ-মাধৱৰ লাই খুঁটি।

মঙ্গল মন্দিৰৰ সিংহদ্বাৰ
খহি পৰিবলে বেছিদিন নাই
চিৰ চেনেহীৰ বুকুত তেজপিয়াৰ
দাঁতৰ চিন তই জানো দেখা নাই?

সিংহ গড়ৰ দাপোনত
ৰজাঘৰীয়াৰ হাতুৰীৰ কোব
ঠন-ঠনকৈ খহিছে প্ৰতিচ্ছবি
পাহৰিলি কাল অমানিশাৰ ক্ষোভ?

হৰিকাই, ৰংমনকাই সামৰি থ'
তোৰ নাঙল-যুঁৱলি যোৰ
যুৰিব গৰুহাল বাংলা ভাই
তোৰ নামত দখলৰ দস্তাবেজ নাই।। ●

# হে দেৱদূত !

ধনদা দেৱী

কাল-সুৰঙ্গৰ মাজেৰে বৈ অহা
তোমাৰ অমৃতময় শব্দ প্ৰপাতত
মুমূৰ্ষু মই উশাহ লব পাৰিছোঁ,
অভাৱনীয়ভাৱে ঈৰ্ষাৰ নীলা পলসত
পোত গৈ থকা মোৰ দুভৰি লৰচৰ কৰিব পাৰিছোঁ।
আৰু এয়া----এয়া ----
অবিশ্বাস্যভাৱে দুভৰি কচালি কচালি
কোনোমতে মই পাৰলৈ উঠিছোঁ,
মৰসাহ কৰিছোঁ তোমাৰ অমৃতময়
শব্দপ্ৰপাতৰ তলত থিয় দিবলৈ,
শৰীৰটো ধুই -পখালি নিকা কৰিবলৈ।

বুকু ভৰাই ল'ব খুজিছোঁ তোমাৰ অমল প্ৰেমৰ সুবাস
দুখৰ শেতা আঙুলিবোৰেৰে
পিলিকি পিলিকি চাব খুজিছোঁ তোমাৰ দুগাল,
মৃদু মৃদুকৈ কঁপি থকা ওঁঠজুৰি।
তোমাৰ বুকুৰ হেঙুলীয়াত
আলফুলে স্থাপন কৰিব খুজিছোঁ
মোৰ ক্ষয় যাব ধৰা ছাইৰঙী বুকুখন।
গৰলেৰে ঘোলা হোৱা মোৰ জলক -তবক চকুহালি
থব খুজিছোঁ তোমাৰ স্ফটিক যেন দুচকুত।

আচৰিত! সঁচাই আচৰিত!
হে দেৱদূত!
মইতো কাহানিও প্ৰাৰ্থনা কৰা নাছিলোঁ
কাল-সুৰঙ্গৰ মাজেদি বৈ আহক
তোমাৰ অমৃতময় শব্দপ্ৰপাত।
অথবা দুহাত যোৰ কৰি
কোৱাতো নাছিলোঁ মই
সহস্ৰ হিংস্ৰ হাতোৰাৰ পৰা মোক উদ্ধাৰ কৰা,
তোমাৰ বুকুৰ সীৰলুত অকণমান ঠাই দিয়া
অথচ ----- ●

# এটি বনিয়ন

গোলাপ দিহিঙ্গীয়া

তুমি দিয়া সেই
বনিয়নটো
পিন্ধি বৰ ভাল লগা হৈছে

মোৰ সিদ্ধান্ত কি জানা
সেই বনিয়নটো পিন্ধিয়েই
জীৱনৰ শেষ নিশ্বাসটো ল'ম

কাৰণ সি মোৰ বৰ প্ৰিয় আৰু বিশ্বাসী

তাৰ ৰংটো
দেখাত ক'লা হয় কিন্তু....

বহুতে কয় বনিয়ন
শুভ্ৰ বা অইন ৰঙৰ হ'লে বেচি ভাল হয়
ক'লা ৰং বৰ ভাল নহয়
বন্ধুবোৰৰহে প্ৰশ্ন

ক'লা ৰঙৰ উপকাৰ নোহোৱা নহয়
মই কিন্তু  ক'লা ৰং বৰ বিশ্বাসত লওঁ
যেনে কলীগাইৰ গাখীৰহে মিঠা
কুলি চৰাই ক'লামলা
মাত কিযে মিঠা
কলীয়া ডাৱৰেহে

ধৰাক পানীৰে উপচাই পেলায়
চকুত কাজল সানি
গাভৰুৰ ধুনীয়া হয়
কাজল ক'লা

কাউৰী ক'লা
ধৰাৰ লেতেৰা খাদ্য ভক্ষণ কৰি
ধৰাৰ বুকুৰ মিলিয়ন মুক্ত কৰে
ক'লা কয়লাৰ কিমানযে শক্তি

ক'লা বনিয়নটোৱেও
মোৰ দেহটোক আপোন কৰি
সাৰুট মাৰি ধৰি
মোৰ দুখবোৰ কাউৰীৰ দৰে ভক্ষণ কৰি
চিকচিকীয়া ক'লা হৈ দুয়ো
আন্ধাৰ ৰাতি গভীৰ আন্ধাৰৰ লগত
মিলি যাওঁ ৰাতি ৰাতি
বনিয়নটোৱেই হ'ল মোৰ শেষ লগৰী

মই পকা কোৰাভাতুৰী হ'ব নিবিচাৰো কাহানিও

বনিয়নটোত কতযে সোমাই আছে
তোমাৰ দেহৰ অদৃশ্য সুবাস
যি সুবাসত সুদূৰ দ্বাৰকাৰ অনিৰুদ্ধও
ব্যাকুল হৈছিল উষাৰ

শুনিছো ভগৱান শ্ৰীকৃষ্ণও
বোলে ক'লাই আছিল........ ●

# সত্যালাপ

জিতেন বৰুৱা

আহকচোন, অলপ আলাপ কৰোঁ
বিনিময় কৰোঁ কোলাহল আৰু নিৰ্জনতা

কি লৈ যাম অথবা কি থৈ যাম
তাক লৈ আপুনি সামান্যতমো বিচলিত নহ'ব
আচলতে আন্ধাৰ-পোহৰখিনিৰ বাহিৰে
নিবলৈ কিম্বা থবলৈ ইয়াত একো নাথাকে

আপুনি মগ্ন নহ'ব অতীতত নিজকে গুজি
কিম্বা ভৱিষ্যতৰ ফালে নাচাব
শংকাৰ চাকনৈয়াত ডুবি
কিয়নো বৰ্তমানটোহে আপোনাৰ-মোৰ
হাতৰ পৰিধিত

আপুনি ইচ্ছা কৰিলে মেৰামতি কৰিব পাৰে বৰ্তমানটোক
সজাই ল'ব পাৰে প্ৰিয় ফুলৰ ৰঙেৰে নিজৰ কোঠা
আপুনি হাঁহি হাঁহি উদ্‌যাপন কৰিব পাৰে
সন্মুখৰ মুহূৰ্তবোৰৰ সকলো ৰং-ৰেখা
বাস্তৱটোৰ বাহিৰে আন সত্য বুলিবলৈ
আপোনাৰ-মোৰ ওচৰত একোকে নাইকিয়া

আপুনি ইয়াৰ পৰা লৈ যাব পাৰিব
জীৱন ভঙ্গিমাৰ
মধুৰ গুণগুণনি অথবা
প্ৰেম-প্ৰত্যয়ৰ বৰ্ণময় সোঁৱৰণি

আপুনি ইয়াতে থৈ যাওক
সকলো অসম্পূৰ্ণতা,
সকলো যন্ত্ৰণা অথবা
আপোনাৰ সকলো অনুশোচনা। ●

# স্বাধীনতা

**লাৱণ্য দত্ত শইকীয়া**

দেউতাৰ মনাকাশে মোক
জোনটোৰ দৰে জিলিকাই তোলে

মোৰ স্বাধীনতাৰ কক্ষপথত
টিঘিলঘিলাই লাওখোলাবোৰে
লাওখোলাত লালিত নৰকীয়া দৃষ্টিবোৰে
মোৰ তৰপীয়া আবুৰ ভেদি
সুৰক্ষিত জীয়া মঙহ নিঃশেষ কৰি চিঙি খালে
হায়েনা হেন নিকটা দাঁতেৰে

জীৱন্তে দাহ দিবলগা দুৰ্গন্ধময় মুণ্ডবোৰ
সৰু সুৰা সুৰুঙাৰে সৰকি
পুনৰাই বিৰাজ কৰে অৰঙে দৰঙে

চাৰিবেৰৰ মাজমজিয়াত ভৰি থৈ
স্বাধীনতাৰ কক্ষপথ নিৰেক্ষী
মোলৈকে বাট চাই ৰোৱা মোৰ সাদৰী
মাৰ
সবল কলিজাটো পিছে পিছে লাগি ফুৰা
ভয়ভূতে
ঘপকৈকৈ থিতাতে গিলি থ'লে

পৈশাচিক ৰাজত্বই সহস্ৰ কক্ষপথৰ
পিতাইৰ মনাকাশ খহাই
বাৰে বাৰে মোৰেই স্বাধীনতাক পঙ্গু কৰে

মৰতত চলে তাৰেই মুখৰচনা...
মৰণ নিশ্চিত কৰিবলে
কলাফুল নঢকা চুটি কাপোৰে
হেনো শগুণ মাতে কাষলে
মোৰ আৱৰণক সমালোচনাৰ সমল
কৰি
স্বাধীনতাৰ কথা চৰে চৰণীয়া পথাৰে
পথাৰে
অবিবেকী মনক বশ কৰে কোনে। ●

# নিলাজী

**ডম্বৰু ধৰ বৰদলৈ**

সভ্য চহৰখনৰ পদপথৰ দাঁতিত
মাটিতে বাগৰি বাগৰি
ঢেক্ ঢেক্ কৈ হাঁহি আছে পাগলীজনী।
তাইক দেখি সকলোৱে কৈছিল -
চিঃ! বৰ নিলাজী এইজনী
তাইৰ ফটাছিটা মলিয়ন বস্ত্ৰ দেখি
বহুজন আঁতৰি গ'ল মুখ ঢাকি।
পিন্ধনত যদিও ফটাকানি এসোপা
শৰীৰটো আছিল সম্পূৰ্ণৰূপে ঢকা।
তাইৰ হাঁহিৰ আস্ফালন সহিব নোৱাৰি
এজনে আহি তাইক প্ৰশ্ন কৰিলেহি
ইমানকৈ কিয় হাঁহিছ, ঐ পাগলী ?
অসভ্য - - - নিলাজী - - -
প্ৰশ্ন শুনি আকৌ বাগৰি পৰিছিল তাই
পেটত ধৰি হাঁহি হাঁহি।
আঙুলিৰ ঠাৰে ইংগিত দি ক'লে
চোৱা সৌ ফালে - - - ।

তাই দেখুওৱাৰ ফালে
মানুহবোৰে ঘূৰি চালে

এখন বিলাসী গাড়ীৰ পৰা এগৰাকী
সুন্দৰী আধুনিকা নামিছে লয়লাসে
এফেৰা ‘বয় ফ্ৰেণ্ড’ তাইৰ পাছে পাছে ।
চকুত ৰঙীণ ‘ছান গ্লাচ’
মুখত দামী প্ৰসাধন
হাতত স্মাৰ্ট ফোন
ওঁঠত ৰক্তিম ৰহণ ।
পাগলীৰ দৃষ্টিত
আধুনিকাৰ দেহত বস্ত্ৰ কিঞ্চিৎ
নগ্নতা নিবাৰণৰ সম্পূৰ্ণ বঞ্চিত।
যেন যৌন বিজ্ঞাপন
উন্মুক্ত শৰীৰ প্ৰদৰ্শন।

মানুহবোৰে তাইৰ মাখন ৰঙী
মসৃণ উন্মুক্ত শৰীৰটো চাই চাই
অলপো লজ্জা অনুভৱ কৰা নাই
কৰিবই বা কিয় ?
আদ্যৰন্ত আধুনিকাৰ ষ্টাইল এনেকুৱাই। ●

# ইস্তাহাৰ

**চন্দিকা দত্ত কোঞ্চৰ**

ইনাইছে বিনাইছে।
আদিম ৰাগিত চহৰখনে ইনাইছে বিনাইছে ।
চহৰখনৰ কোনো শৰীৰ নাই।
যেনেদৰে যৌৱন হেৰুওৱা গাঁওখনৰ বুকুত
বিননি এটাই তুলি আছে ৰি ৰি ধ্বনি।
ইয়াত এইখিনিতে যৌৱনৰ কোনো গান নাই।
নাই কোনো মাদকতা।
পানী সিয়া বেজীটোৰ মাথোঁ খদম্‌দম্‌।
ক্ৰমশঃ শুকাই আহিছে গা-ভাৰী নদীখন এফালৰ পৰা।
নৈখনে কোৱা নাই জলপৰীৰ সাধুকথা।
কোৱা নাই দিকৰসন্তৱা দিনৰ মঙ্গলময় কথা।
আদিম অৰণ্যৰ হেঁপাহবোৰে কৰি আছে উখল-মাখল।
কি নাম দিব পাৰি সেই হেঁপাহৰ নাম?
নাম হয়তু দিব পাৰি অসংকলিত জীৱনৰ পৰিভাষা।
হয়তুবা দিব পাৰি অমানৱীয়তাৰ জ্যামিতিক উপপাদ্য।
আত্মজ দিনত বাঁহফুলৰ গোন্ধ।
প্ৰেম লঘোনীয়া। সপোন মহঙা।
আবাদী পথাৰখনত শিকলিযুক্ত হৃদয়।

পাৰ হৈ যোৱা সময়খিনিৰ কোনো ভাষা নাই
আহি থকা দিনবোৰৰ নাথাকিব পাৰে কোনো কথকতা।
উশাহত লাগি আছে কেৰলীয়া ৰাগিৰ স্বৰলিপি।
উশাহটো ল'বলৈকো ভয় কিজানিবা জোন গলি
জোনাকে নাহাঁহে।
কিজানিবা তৰা ফুটি জোনটো নজ্বলে।
হাত মেলিলেই পোৱা নাযায় সৰ্গভা সময়।
হাত মেলিলেই পোৱা নাযায় শ্ৰীময়ী সুবাস।
ইয়াত এতিয়া কেৱল য'তে ত'তে হৈ আছে **শইচৰ শৰাধ।**
**শইচৰ শৰাধ।** ●

# ফুলৰ ৰাগত

**নৃপেন ফুকন**

গ্ৰীষ্ম কালত অলংকাৰিক গছ-
ৰঘু, কদম ফুলৰ সুবাসিত পোহৰৰ নীৰৱ সংগীত,
এই সময়ত এজাৰেও নকৰে বেজাৰ,
প্ৰকৃতি যেন ধ্যানত মগ্ন,
গোপনে ক'ব খোজে "সৌন্দৰ্যই জীৱনৰ অন্তৰ্নিহিত ছন্দ।"
ৰাধাচূড়াৰ ওঁঠত পোহৰাইছে গুলপীয়া হাঁহি,
তাকে দেখি কৃষ্ণচূড়াৰ চকুত পোহৰ উজ্বলে,
হেঁপাহেৰে কয়-
"যেন মোৰ মৰমৰ প্ৰতিচ্ছবি তুমি!"
কামিনি কাঞ্চন ফুলে, বগা আৰু গুলপীয়া পাহিয়েদি বয় সপোনৰ বতাহ,
সোণাৰুৰ হালধীয়া ফুলে সেই সপোনত ছটিয়ায় পুবালিৰ হেঙুলীয়া ৰং,
প্ৰকৃতিৰ প্ৰতিটো বৰ্ণত, প্ৰতিটো সুবাসত
এটা নিৰৱ পদ্য উজলি উঠে- য'ত
সেউজীয়া পাতে লিখা এটা চিৰন্তন অভিব্যক্তি। ●

# জীৱনৰ স্বপ্ন গান

জিনুমনি সাধনী বৰা

বৰফ শুভ্ৰ আচ্ছাদনেৰে আবৃত
নিতুল হিমালয়ৰ দৰে
গঢ়ি তুলিলা তুমি বিশালতাৰ সৌৰভ,
মানৱতাৰ সৌন্দৰ্য এক উদাৰ হেঁপাহ
মহাশূন্য গৰ্ভত বিলীন কৰি
সংকীৰ্ণতাৰ পংকিলতা
বহন কৰি হৃদয়ত মায়াসনা দীপ্তি।
অনাশ্ৰিত অন্তৰীক্ষত
বিশ্বাসৰ বৰষুণে
উজ্জ্বলাই অসীমৰ উদ্দাম আলোকৰাশি

লহৰ তুলিলা ভাষাৰ ব্যঞ্জনা
তড়িৎ প্ৰৱাহিত কৰালা শব্দ সুমধুৰ
জিৰণি দিলা যমুনাৰ কোমল দলিচাত।
কলিজাত থাপিলা ময়ুৰ পাখি
কলস্বনা বাঁহি ধ্বনি,
দুৰণিত তৰাৰ উদয়
যেন নীলাভ বাংময়
জীৱনৰ স্বপ্ন গান।
তোমাৰ মনৰ গভীৰতাত
বিচাৰি পালো এখন পৰিধিবিহীন নীলা

আকাশ
বৈ বৈ বাজে মুকুতামণিৰ জুনুকা
সহস্র শ্যামলী হৃদয় জুৰা।
তৰালী স্বপ্নই সানি দিলে
সোণৰ স্নেহৰ কাজল।
তোমাৰ উজ্জ্বলিত প্ৰতিভাৰ
মধুৰ ছাঁয়াত কস্তুৰীৰ সুবাস
বিমুগ্ধ হিয়াত অনাবৃত্ত হৈ জ্বলি উঠিল
জীৱন জিনাৰ মৌচাক
সুখৰ উৰ্বশী অনুৰাগ। ●

# পাৰৰ পাখি

**ৰাজিত চাংমাই**

তুমি আহিলেই আউল লাগে
মোৰ উঠি অহা আহিন
কি কম?
'কানেকচন ফেইলাৰ'
বিজ্ঞানৰ পৰিভাষাত
কিন্তু তুমিটো আছাই
আহি আছা এইফালে
খিৰিকিৰ ফাঁকেৰে চাই
আঘোণক খাটিছো
সোণ গুটিৰে ভৰি পৰক
মোৰ হৃদয় পথাৰ
গালে মুখে পৰিছে
'ৰিব্ ৰিব্ বতাহ বলেনে
গাৰ ছাটি উৰেনে'
কি কৰো
পাৰৰ পাখিতে
গুজি দিওঁ।

# সুবাসিত জীৱনৰ স্বপ্ন

**প্ৰবীণ হাজৰিকা**

সময়ৰ গতিশীলতাত
জীৱনে খেলি যায়
সুখ-দুখৰ অনেক খেল,
পাৰ হৈ যায় নিমিষতে
শৈশৱৰ ৰ'দ কাঁচলি,
হাবু-ডুবু খোৱা জীৱনৰ
মাজতে জী উঠাৰ মাদকতা, জীৱন
জীৱৰ বাবে আৰুনো কি লাগে
অলপ বিশ্বাস
অলপ আদৰ।

সন্ধিয়া নৈ খনে বিষাদৰ
গীত গায়,
জীৱনৰ নানা ৰঙী
বিষাদ বোৰে
মেলা পতাৰ কোনো ক্ষণত ভাঁহি উঠে
নৈ পাৰত এটি কৰুণ সুৰ
হৃদয়খনৰ ৰঙো সময়ে সময়ে সলনি
হয়
তাপ সহিব পৰাকৈ কঠোৰ হয়।

সংগ্ৰামৰ অন্য নাম জীৱন
সংগ্ৰাম কৰি জী থকা
জনে বুজে জানো উৎসৱৰ মাদকতা
বেৰৰ জলঙাৰে জুমি
চায় জানো আবেলিৰ বেলি,
দুখ কেনিবা হেৰায়
ময়ো সামৰি থওঁ
হৃদয়তে স্বপ্ন-দুঃস্বপ্ন।
জীৱন সংগীতৰ
ৰাগিণী বুকুতে বাজি ৰয়। ●

# টোকোৰা চৰাইবোৰৰ হাহাঁকাৰ

**আইচেনা টাং**

এদিন নিচেই পুৱাতে শুনি পালো
এজাক টোকোৰা চৰাইৰ কৰুণ কান্দোন,
কান্দোন মাথোন কান্দোন।

বিচনাৰ পৰা উঠি আহি দেখা পালো
ধুমুহাত ভাঙি পৰা কাকিনী তামোল গছবোৰৰ
সমভাগী হৈ সিহঁতৰ কষ্টৰে সঁজা বাহবোৰ ভাঙি চিঙি
সিঁচৰিত হৈ পৰি আছে ইফালে-সিফালে।

অতি যতনেৰে সজা এই বাহবোৰৰ প্ৰতিচ্ছবি চাই
অন্তৰৰ এটি গভীৰ কোণত
বেজাৰে থিতাপি লৈ অশান্তিৰ গুজিলে কাঁইট।

ঘৰৰ ওপৰৰ পৰা দেখা পালো
আৰু এটি গভীৰতম কৰুণ দৃশ্য
এক অতি কৰুণ দৃশ্য।

কেইটামান কুকুৰে নিষ্ঠুৰ হৈ
কণ কণ টোকোৰা চৰাইৰ পোৱালীবোৰ
কামুৰি কামুৰি আছে খাই
আৰু টোকোৰা চৰাইবোৰে
নিজ সন্তানক বচাবৰ বাবে মাথোন

আশে পাশে ফুৰিছে উৰি,
চাৰিওফালে সিহঁতৰ হৃদয় বিদাৰক কান্দোন মাথোন।

নিয়তিৰ আগত একো প্ৰশ্ন কৰিব নোৱাৰি
হিয়া বাঙি কান্দিছে আৰু কান্দিছে মাথোন।
ভবা নাছিল হয়তো ধুমুহাই ভাঙিব পাৰে লিহিৰি তামোল গছবোৰ,
ভাবিছিল মাথোন নিজ আত্মবিশ্বাস আৰু
তামোল গছৰ ওপৰত থকা গভীৰ আস্থাৰ কথা।

পুৱাৰ অন্তত দিন আহিল, দেখা পালো
এক বিপৰীত দৃশ্য,
যুদ্ধকালীন ক্ষীপ্ৰতাৰে টোকোৰা চৰাইবোৰে
থিয় হৈ থকা তামোল গছবোৰত
নতুনকৈ সাজি উলিয়ালে সুন্দৰ বাহবোৰ।

এইবাৰ কিন্তু কান্দোনৰ কোনো অৱকাশ নাই,
আগৰ সেই একে গভীৰ আস্থা আৰু বিশ্বাসবোৰক লগত লৈ
নিজ কৰ্মত ব্যস্ত হৈ সিহঁতে কান্দোনবোৰ পাহৰি পেলাইছে।

মানৱ জাতিৰো সেই একেই গতি,
নিয়তিৰ কৰিব নোৱাৰে একোকে ক্ষতি,
আত্মবিশ্বাস আৰু কৰ্মত ৰতি
টোকোৰা চৰাইৰ পৰা লৈ শিকনি
নতুন দিগন্তত কৰিব লাগে অবিৰত গতি
অবিৰত গতি! অবিৰত গতি !

# ফাগুন

**বিদ্যুৎ প্ৰভা ফুকন**

প্ৰতিশ্ৰুতি দি যোৱাৰ দৰে
আহিলা তুমি
প্ৰেমৰ মদিৰা ঢালি
জোনাকে আৰৰা লাৱণি
মুখনিত হানি এচাতি
জিৰ্ জিৰ্ বতাহৰ ৰাগি
লঠঙা ডালত
কুঁহিৰ সুহুৰি শুনি
জুৰিৰ প্ৰাণত উঠে
কুলুকুলু ধ্বনি
কি যে সুললিত
ধ্বনিৰে ফাগুন
আহে বনলৈ

ৰঙা ফুলে
আকাশ ৰঙা কৰি
সুগন্ধি সুৱাস সিঁচি
গাইছে ফাগুনৰ সুৰীয়া গীত।
ধূলি ফাঁকুৰে বাউলি
গাভৰুৰ নেঘেৰি খোপা
চাদৰৰ আঁচলো নাথাকে দেহত
উৰিছে ফাগুনৰ প্ৰেমত।

বহুজনে লিখিছে
নৱ নৱ কবিতা গীত
মিলনৰ শুভ মুহূৰ্তত
প্ৰেয়সীৰ বুকুৰ উমত

কুঁহকুঁহীয়া বতৰত
প্ৰকৃতিত আনন্দ লহৰ।
ৰামধেনুৰ সাতোৰঙৰ
আবিৰে ভৰাই হৃদয়
সম্প্ৰীতি এনাজৰী বান্ধি
জাতি-জনগোষ্ঠী সবে মিলি
আলিঃ -আঃয়ে-লৃগাংতে
তোমাৰ বাৰীতে ৰুই
গুমৰাগ নাচিম
হেঁপাহ পলুৱাই। ●

# ওৰণি তলৰ জোন

চন্দ্ৰ কুমাৰ দত্ত

সুখতো দুখতো ছাঁটোৰ দৰে
লাগি থকা পতিব্ৰতা নাৰীৰ
সেন্দুৰৰ ফোঁটতো ডাঙৰকৈ জিলিকে....

চুটি হোৱা উশাহবোৰ
দীঘল কৰিবলৈ
নৰিয়াত পৰা গাতো
ৰ'দত টঙাবলৈ
অথবা বিষাদৰ ঢৌবোৰ
মাৰ নিয়াবলৈ
ভাল লগা মানুহজনী
প্ৰিয়জনৰ বাবে
সদায় সাজু থাকে

অলিক সপোনবোৰ মাকৰ ঘৰতে
এৰি অহা
তাৰ পাছত
মায়াৰ সংসাৰত বান্ধ খোৱা
লাহে লাহে চৌষষ্ঠি জঞ্জালেৰে
মৰণা মৰা
সেই গৰাকী নাৰী নাৰী হৈয়ে থাকে।

কেতিয়াবা দুৰ্গাৰ দৰে ৰণচণ্ডী ধৰা
সেই নাৰীক অবলা অথবা
অৰ্দ্ধ আকাশ-অৰ্দ্ধাঙ্গিনী নাম দি
সমাজে দায় সাৰে

কোনেও তেওঁ মনৰ ভিতৰ
সোমাব নিবিচাৰে
অথবা সময় নহয় কোনোদিন সুধিবলৈ
তোমাৰো ভাল লগা ভালপোৱা কিবা
আছেনে?

তেওঁ মৌন হৈ থাকে
সকলো দেখিও সকলো শুনিও
নিস্তব্ধতাৰ সিমনাত নিৰবে
বহি থাকে

ৰূপ-লাৱণ্য, সপোন-অহংকাৰ ক্ষোভ
দূৰলৈ দলিয়াই
তেওঁ সতীৰ দৰে স্থিতপ্ৰজ্ঞ হয়
আৰু তেতিয়া
মনৰ মানুহজনী ওৰণিৰ তলৰ জোনটো
ট ট কৈ জিলিকি উঠে....। ●

# অজুহাত

দিলীপ পৰাজুলী

কাহানিও সুখ বিচাৰি পোৱা নাই
কেৱল মাথোন দুখ দুখ দুখ
সেইবাবে
দুখৰ নদী বৈ যায় জীৱনত।।

মাথোন
কেতিয়াবা তুমিও কামৰ অজুহাত দেখুৱাই
আঁতৰি যোৱা
হৃদয়ৰ বক্ষত এডোন মান দুখৰ বোজা দি।।

সাংসাৰী জীৱনৰ ব্যস্ততাৰ মাজত থাকি
মোক দুখ দিলে
তোমাৰো হৃদয়ৰ চোতালত কেতিয়াও
সুখৰ মলয়া নবলে।।

আৰু মাথোন অজুহাতত ভেজা দি
অথলে নিনিবা জীৱন।। ●

# আই বসুমতী

**নীৰপ্ৰভা ফুকন**

মন সাগৰত পাল চিৰা ধুমুহা
বিৰসনা মুহূৰ্তৰ কাৰুণ্যিক আঁকুতি।
অসহ্য যন্ত্ৰণাত নদীখনে কেঁকাইছে
ভৰা ৰঙানৈত ভাঁহি গৈছে
ৰজস্বলা নাৰীৰ তেজ লগা টোপোলা।
আচৰা জালত তুলিছো নিজৰে
ভগা-চিঙা খোলা।
আৰু শুন ৰহিমলা! অহুকানে-পহুকাণে
কথা বাগৰিছে-
ৰাতিয়েই 'নেপক'ৰে' পানী এৰিব পাৰে
জেঠৰ আৰতৰীয়া দোপালপিটা বৰষুণ
বাহিৰৰ শুকান কাপোৰবোৰ ঘৰত সুমাই থবি,
পুৰা শুই উঠি, কিহেৰে চকুৰ পানী মচিবি?
বুকুৰ জপাৰ সাঁচতীয়া বিষাদ কিহেৰে বান্ধিবি!
পানী পানী পানী পানী পানীৰ স্ৰোতত
মাতৃৰ বুকুৰ আগমঙহ টুকুৰা উটি গ'ল
চাট্ চাট্ কৈ খহে পোৰা কলিজা।

আহকছোন, চাওকহি, বিজুলী বাতিৰ ধাৰাল
পোহৰৰ বোকাত কেনেকৈ চুড়মাৰ হৈছে
আইৰ হাতৰ পৰশত গজি উঠা এখন ঘৰ
সাঁচতীয়া নিজস্ব বৈভৱ দূৰৈত অনন্ত আন্ধাৰৰ
চমকনিত দেখিছো।
আহকছোন! আহক! বনিয়াৰ হাঁহিবোৰ
পকা কঁঠালৰ দৰে ফুৰফুৰকৈ গোন্ধাইছে
কথাত কথা বাঢ়ে- কোনটো আগত
কোনটো পাচত-কিমান শুনিব।
শোকত শান দিয়াৰ বতৰা বুকুভাঙি আকাশ
বতাহ মুখৰ কৰি সাগৰসম হুমুনিয়াহ।
মই কাণেৰে একো শুনা নাছিলো
চকুমুদি আছিলো অন্ধতাৰ অনুগত্যত মই।
শতজান! সময়ৰ দস্তাবেজক তয়ে ধৰি আছ
যুগক মূৰ্তিমান কৰি।
তোৰ বন বিৰিখত চৰায়ে- গীত জুৰিলে
ফুল ফুলিব-জুই ফুল
জুই ফুলে তিহ্-তিহাব
শুনা হে বসুমতী আই বাট চাই আছো
তুমি অহালৈ...... ●

# নতুন কবিতাৰ বাবে....
# শৈল্পিক সময়

**বিতোপন গগৈ**

(ক)
শুকান জেংখৰি বিচাৰি
নিজে ভাত ৰন্ধাৰ দিন ধৰি
শতৰু খেদিছো
সৰাপাতত আঁকিছো
দুৰাতিৰ স্নেহবন্ধন ছবি !

(খ)
কলহ ভৰাই আনিছিলা কি
অশ্বক্লান্ত জুৰণি ( ? )
সেই কৃষ্ণচূড়াৰ তলত
ৰ’ লাগি চাই নীলাচলৰ আঁচল
লিখিছিলো পূবালীত যি কবিতা
অজান অনুভূতিত সূৰ্যস্পৰ্শৰে
হেৰাই গ’ল দুনয়নত
ঘূৰ্ণীয়মান মঞ্চত
তোমালৈ মনত পৰে
জোন জ্বলা সন্ধ্যা....

(গ)
আকাশ কঁপাই বংশসূত্ৰে বিচাৰি
নেযাওঁ ৰাছিয়া ইউক্ৰেইন
কি চুক্তিত নিষিদ্ধ তেজৰ সম্পৰ্ক
পাহৰিলো আদিম তত্ত্ব

(ঘ)
পাহাৰৰ নিতম্বৰ পৰা বৈ থকা চেঁচা
পাৰে পাৰে এজাক বালি শিল্পী
ঘনে ঘনে ভাগিছে সপোন
শেষ নোহোৱা দুটি ওঁঠৰ ছবি
উটি গৈছে... উটি গৈছে
কাৰ কাৰ প্ৰেমৰ জুপুৰি! ●

# ঔম শান্তি

মামনি গগৈ শইকীয়া

হে ভগৱান! তুমি ক'ত?
সুখত তোমাক পাহৰোঁ
দুখত বিচাৰোঁ, খাওঁ হাবু-ডুবু।
অনুভৱত হৃদয় জাগৃত
ত্ৰিজগতত তুমি অদৃশ্য।
সঁচায়ে আছানে সৃষ্টিত?
মানৱ যদি জীৱ শ্ৰেষ্ঠ
সৃষ্টিত কিয় ধ্বংস যজ্ঞ!
একতাৰ এনাজৰীৰে সৃষ্টিক বান্ধি ৰখাৰ
নাই নেকি তোমাৰ ক্ষমতা!
ক'ত হেৰাল প্ৰকৃতিৰ মমতা!!
কিয় ৰুধিব পৰা নাই সন্ত্ৰাস?
নে, দান-দক্ষিণাৰ মোহত হ'ব খোজা
ক্ষমতাশালীৰ শৰণত সেয়?
জাতি-ধৰ্ম-বৰ্ণই যদি অপৰাধ
কিয়, কৰিলা ধৰাত ভাগে-ভাগে ভাগ।
হ'ব খোজে নেকি নৰ ৰক্তৰ
ফাকু খেলেই তোমাৰ অনুৰাগ।
হিন্দু-ইছলাম, জৈন, খ্ৰীষ্টান
শিখ-মাৰাঠী, বৌদ্ধ

সৰেই আমি মানৱ হওঁ জীৱ শ্ৰেষ্ঠ।
জীৱ তেনেই নিমিত্ত
ধৰাখনি মাথোঁ দুদিনৰ
খোৱা-কামোৰত সকলো ব্যস্ত
দানৱ হৈ সৃষ্টি কৰে, বিনষ্ট।
স্বাধীন দেশৰ স্বাধীনতাই
হ'ব খোজে নেকি জগতৰ অপৰাধ,
স্বাধীনতাৰ সীমা ক'ত?
সংজ্ঞাই বা কি?
দিবা নে দেখুৱাই।
দুৰ্নীতি সন্ত্ৰাসবাদীৰ অধৰ্মৰ প্ৰকোপত
ধৰিত্ৰীয়েও ল'ব খোজা নাই ভাৰ
পুনৰ মেলিব নেকি ছিয়াল ফাট।
স্মৃতিসনা কুৰুক্ষেত্ৰ,
সৃষ্টি পাশাখেলৰ গুটি
সাতোটি অশ্ব পুনৰ জুঁটি
সুদৰ্শন চক্ৰ তৰ্জনী
পুনৰ আৰম্ভ হ'ব নেকি ৰথখনিত।
সঁচা যদি তোমাৰ বিশ্ববিমোহন ৰূপ
সত্যতা, মানৱীয়তাত
দেখা দিয়া প্ৰকৃত স্বৰূপ।
হে ভগৱান!
দেশখনিক কৰা ৰক্ষা
এইয়াই জনগণৰ তোমাৰ শৰণত
শতকোটি প্ৰণাম।
ওঁম শান্তি, শান্তি, শান্তি...... ●

# কবিতাই
# মোৰ প্ৰাণ বিশালতাৰ গান

জ্যোতি চলিহা

এনেহেন মনোমোহা পৃথিৱীৰ
প্ৰাণ
কবিতাৰে সমাবৃত
স্মৃতিৰ প্ৰাচুৰ্যত সৃষ্টি
বিশালতাৰ সীমাহীন গান

কল্পনাৰে উজ্জীৱিত
মোৰ হৃদয়ৰ প্ৰতি অনুভূতি
কবিতাৰ সজ্জাত বিস্তৃতি
অভিব্যঞ্জিত জীৱন

তন মন আচ্ছাদিত
উচ্ছলিত হৃদয়
সুদূৰ সন্ধানী মন
মই তাৰ বাৰ্তাবাহী প্ৰাণ

আবেগমদীৰ জীৱনৰ
স্পন্দমান ইতিহাস
শান্ত সমাহিত জীৱন
কবিতাত প্ৰতিবিম্বন
কবিতাই মোৰ প্ৰাণ
বিশালতাৰ গান। ●

# ঠিকনা বিহীন এজোপা বটবৃক্ষ

ৰঞ্জিতা হাজৰিকা চেতিয়া

বিশ্বাস ঘাটকতাৰ
ভয়ংকৰ চলনাত পৰি,
হেৰুৱালো মই,
মোৰ স্থায়ী ঠিকনা।
দিনৰ ভাগত পদপথ নাইবা
ৰাজপথত ঘূৰি পকি
কৰোঁ ভোক নিবাৰণ।
ৰাতিৰ আশ্রয় দোকানৰ সন্মুখ
নাইবা ৰাজহুৱা জিৰণি ঘৰ।
পুৰণি স্মৃতি সুঁৱৰি হাহোঁ কান্দো,
আনৰ আদেশত উঠাবহা কৰোঁ।
চিঞৰি চিঞৰি কান্দো বুলিয়েই,
আপোনালোকে মোক
পগলা বুলি নক'ব দেই।
মই পগলা ন...হ...য়-
মোৰ পৰিচয় -
বুকুৰ মাণিকৰ হাতত
প্ৰতাৰিত লাঞ্চিত বঞ্চিত হৈ
ঠিকনা হেৰুওৱা মই,
আশী বছৰীয়া এজোপা বটবৃক্ষ। ●

# ৰঙানৈ

**ৰেণু ভূঞা**

ৰঙানৈ তুমি আমাৰ
বুকুৰ কুটুম শৈশৱৰ লগৰী
যৌৱনৰ সোণালী দাপোন
তোমাৰ বুকুতে সাঁতুৰি-নাদুৰি
বালিঘৰ সাজিছিলো।
নৈৰ পাৰতে থকা ধানডৰাত
লেচেৰী বুটলি ঘৰলৈ আনিছিলো।
শৈশৱ এৰি
যৌৱনৰ দুৱাৰত ভৰি থৈ
কত যে আঁকিছিলো
ৰাজকোঁৱৰৰ ছবি
ৰঙানৈ তুমিয়ে আছিলা সাক্ষী।
প্ৰাণৰ ৰঙানৈ তোমাৰ স্বচ্ছ জলৰ
মুখ চাই নিজেই বিভোৰ হৈছিলো
তোমাৰ বুকুতে জলকেলী কৰা কথা
পাহৰা নাই অ' ৰঙানৈ
যৌৱনৰ ভাল লগা সময়বোৰ
পাৰ কৰিছিলো লগৰীৰ স'তে

তোমাৰ কাষতে জিৰণী লৈছিলো। কালৰূপ ধাৰণ কৰি
যেতিয়া বান হৈ আহা
তোমাৰ ভয়ঙ্কৰ ৰূপ দেখি
আমাৰ বুকু কঁপি উঠে।
আমাৰ গাঁওখনৰ আমাৰ সপোনবোৰ
থানবান কৰি নিঃশেষ কৰি দিয়া
সপোনববোৰ আমাৰ সপোন হৈয়ে
থাকি যায়।
শান্ত হৈ পুনৰ অবিৰাম বৈ যোৱা
বাধাহীন উৰ্ম্মিমালা তুমি
ৰঙানৈ তুমি যে আমাৰ
প্ৰাণৰো প্ৰাণ বুকুৰ কুটুম
শৈশৱৰ লগৰী যৌৱনৰ দাপোন।
তুমিয়ে আমাৰ আকাশ ৰঙানৈ। ●

# এখন জীয়া ছবি

**বিনীতা গগৈ**

ফাগুনৰ পচোৱাই লহঙা কৰা
গছবোৰলে পুতৌ ওপজা হ'ল,
শৰতৰ শুভ্ৰ বসনা কহুঁৱাবোৰ
জেং খৰিৰ দৰে থিয় হৈ ৰ'ল।
ফাগুন মানেই যেন তেজ ৰঙা
পলাশৰ ছবি,
কৃষ্ণচূড়া ৰাধা চূড়াৰ
আপোন ভুলোৱা হাঁহি।
বসন্তত প্ৰকৃতি জনীৰ
ৰং ৰূপ সলনি হ'ল,
নাচনীৰ ঘিলা খোপাত
কপৌ পাহি ওলমিল।
জেঠৰ খৰত পথাৰৰ মাটিত
চিৰাল ফাট মেলিল
নাঙলৰ সীৰলুৰ কেঁচা মাটিৰ গোন্ধই
লৈ যায় শাওনৰ বোকা মাটি ডৰালৈ।
দুচকুত ভাঁহি উঠে পিতাইৰ ঘামত তিতা
পুৰণা বনিয়ন চোলাটোলৈ,
বাৰে বাৰে মনত পৰে আইৰ তেজ ৰঙা
মুখখনিলৈ।
মনত পৰে, মনত পৰে
ৰাতিৰ আকাশৰ তৰা দেখা
আমাৰ সেই উৰুখা পঁজাটো নাই,
বৈ আছে এটা অট্টালিকা মূৰ তুলি চাই। ●

# সোৰনশিৰি

**বাসন্তী ভূঞা**

মোৰ কেনভাচৰ প্ৰথম পৃষ্ঠাৰ
কলেৱৰ....
সোৱনশিৰি পাৰৰ নৈসগিক চিত্ৰায়নত,
ৰং তুলিকাৰে বুলাব বিচাৰিছো
বুকুত উঠলি উঠা,
সৌন্দৰ্য্যৰ মতলীয়া আভা।।

অস্তোজ্বলতাৰ স্তিমিত ক্ষণত,
সোৱণশিৰিও ৰূপৰ সলনি ঘটে,....
নীল আকাশৰ হেঙুলী ছাঁয়াই
মোৰ দেহাটো হেঙুলী আভাই ছানি ধৰে।।

দুয়ো পাৰৰ কহুৱা কোমল গালত,
মৃদু মৃদু বতাহ লাগি,
বিৰাম বিহীন ছন্দোময় গতিত...
ৰিব্ ৰিব্ সুৰে আই সোৱণশিৰি ব'ব লাগিছে।।

পাৰত আকিছোঁ ....
অতীত পৃষ্ঠা শুৱনি কৰা
জংকী পানেই অমৰ প্ৰেম গাথা।
মোৰ পাৰতে শৈশৱ, যৌৱন অতিবাহিত,
বুকুৰ বালিতে কাসিং-কাৰ্টানক সাক্ষী কৰি,
যুগমীয়া প্ৰেমৰ শপত লৈছে।।

অমৰ প্ৰেমৰ ঘাত-প্ৰতিঘাতৰ,....
শেষ আশ্ৰয়, শেষ সাক্ষী,
সোৱণশিৰিৰ বালিচৰ।।

মোৰ কাষেদি বৈ যোৱা উমাল বতাহজাকে
দুৰৈত শুনা চিফুং বাঁহীৰ সুৰত,
মন মন্দাকিনী উতলা কৰে।
সোৱণশিৰি তুমি নিৰৱে বৈ থাকা।
কেনভাচৰ দৃশ্যাৱলী হওক চিৰ যুগমীয়া।। ●

# নিসংগতাৰ খোজ

সুচিত্ৰা শইকীয়া

দিগন্তৰ সিটো পাৰত
নিজম পৰিছে মোৰ পৰিচিত শব্দ।
উচুপি উঠে আকুল বাসনা
বুকুৰে বৈ যায়
হেৰুৱা সুৰৰ নিৰৱ যান্ত্ৰণা।
মাথো নিঃসংগতা;
খেদি ফুৰে পুৰণি দিনবোৰে,
ছিঙি ছিঙি মনলৈ আহে
তেওঁৰ নিৰ্ভীক খোজবোৰত
নিঃস্বাৰ্থ নিবিড়তা।
মমতাৰ সাগৰ শূন্য কৰি
জীৱনৰ বিপৰীতে মহাশূন্য।
প্ৰাসংগিকতা আছে জানো
প্ৰেম ভালপোৱাৰ, জীৱন সংগ্ৰামৰ?
নিয়তিৰ বুকুত যিদিনা সৰি পৰে
জীৱন নাটৰ শেষ পৃষ্ঠা।
যদিও খহিছে মনৰ উপকূল
বিশ্বাসৰ পাত্ৰত উৰিছে এটি পখী
মনৰ খিৰিকী খুলি
আকাশৰ বুকুত সিঁচিব
আশাৰ কিৰণ। ●

# আই

**উমেশ্বৰী ভূঞা**

বিচাৰি জগত জুৰি এনে পবিত্ৰ পীঠ,
নাপালোঁ যি কোনো মূলুকত।
আইৰ চৰণ তলে, গঙ্গা যমুনা আদি
নহ'ব যে সম কদাচিত।।
বুকুৰ মাজৰ উম, হাতৰ মৰম
বোল, মমতাৰ মৌ মিঠা মাত।
দুখৰ চকুলো কাঢ়ি, সুখৰ মোনাটো যাচি,
নৰিয়াও পাতি লয় গাত।।
খঙত দুচাট মাৰি, লুকাই চকুলো টুকি
লৈছিলি হাঁহি একোলা।
আজিও শোকত যদি নীৰৱে চকুলো
বয়, ৰিঙিয়াই মনে সন্ধিয়া।।
পিতাই বুলিলে ভয়, যদিও মৰমে কয়,
আই বোলে নকৰিবি ভয়।
পিতাইৰ সাহসে আমি, তৰিম দুখৰ
ৰাতি, বিপদকো হেলাৰঙে জয়।। ●

# সোণগুটি

**কলেশ্বৰ নৰহ**

(১)
দিবনে, হৃদয় চহৰখনত
এডোখৰ মাটি
মণি-মুকুতাৰে....
বায়ুবিহীন চিমেন্টেৰে
সাজিবলৈ মোৰ আধাৰশিলা।

(২)
দিবনে তেজৰ সিৰা-উপসিৰাত
আজীৱন নাৰৰীয়াহে
তেজৰ পুখুৰীত
ত্ৰিৱেনীৰ দৰে বৈ থাকিবলৈ।

(৩)
হৃদয়ৰ ডুগডুগী কোণত
চাকনৈয়াত...
বুকুৰ বাগিচাখনত
যুগ্ম জীৱনত
অৰবিন্দৰ দৰে
ফুলি থাকিবলৈ।

(৪)
দিবনে সোণবৰণীয়া কলিজাত
ৰঙা তেজৰ কলিজাৰ পথাৰখনত
সোণগুটিৰ ভঁৰালত
নৈপৰীয়া...
মাটিমাহ, সৰিয়হতলীত।

(৫)
দিবনে সোণগুটি
চকুৰ চেলাউৰিত
ৰংঘৰৰ বাকৰিত
বাপতি সাহোন মেলাত বহিবলৈ। ●

# জেঠ

**দিপালী চেতিয়া মজুমদাৰ**

দোপালপিতা বৰষুণ জাকে
পুৰাই জনালে
বৰ মাহ জেঠে চোতাল গৰকিলে,
বৰষুণ জাকেই নে?
দুপৰ প্ৰখৰ ৰ'দেও হাঁহিলে
এইয়াই জেঠ!
জেঠ মানেই যেন
সপোন ৰচাৰ সময়
সপোন সিঁচাৰ সময়
আইতাৰ আজলি আজলি হাতেৰে
কাজলি কাজলিকৈ
ককাৰ হাতত তুলি দিলে
গজালি ধৰা বীজ
ককাই আলফুলে সাৱতি
ধৰিত্ৰীৰ বুকুত ছটিয়াই দিলে
বছৰটিৰ সপোন।

# খেতিয়ক

**প্ৰণৱ কুমাৰ হাজৰিকা**

ব'হাগৰ প্ৰথমজাক বৰষুণতে
মাতাল হওঁ মই,
বৃষ্টিস্নাত তোৰ দেহৰ সুবাস বিচাৰি
উদগ্ৰ হৈ উঠে মোৰ প্ৰেমিক মন....
তোৰ পলসুৱা দেহত কৰ্ষিত হয় বাৰে বাৰে
মোৰ মনৰ হেঁপাহ,
বাৰে বাৰে শিৰলুৰে জুমি চাব বিচাৰো
জীৱন অঙ্কুৰণৰ গোপন ৰহস্য,
প্ৰতিনিয়ত অনুভৱ কৰিব বিচাৰোঁ
কি দৰে সেউজীয়া হয় জীৱন

এনেদৰেই অনেক দিন, অলেখ বছৰ
একাকাৰ কৰি
তোৰ বোকাময় শৰীৰত উদ্‌যাপিত হয়
মোৰ প্ৰতিটো বসন্ত
তোৰ স'তে এনেদৰেই কটাব বিচাৰোঁ
মোৰ অফুৰন্ত যৌৱন
আৰু সমস্ত জীৱন।
আকুলতাৰে অপেক্ষা কৰোঁ
প্ৰতিটো ব'হাগৰ
মোৰ হেঁপাহৰ প্ৰথমজাক বৰষুণলৈ
বৰ্ষাস্নাত তোৰ দেহৰ সুবাস পাবলৈ...
মই যে তোৰ পলসুৱা আবেদনৰ
আজীৱন প্ৰেমিক ●

# অন্তহীন ভাৱনা

দিপ্তী ভূঞা

বুকুত ডাঙিব নোৱাৰা
বোজা এটা অহৰহ কঢ়িয়াই লৈ ফুৰিছোঁ
ব'ব নোৱাৰা বোজাটো
য'তে ত'তে থবও নোৱাৰোঁ
হৃদয়খন জুৰাবলৈ
মাজে মাজে
বৰষুণত তিতোঁ....!!

এনেয়েও মই
একেবাৰেই নহয় সাহসী
দুখত কেতিয়াবা
হালি পৰোঁ....!!
বয়স বাঢ়ে
সপোন টুটে
অবাঞ্চিত ছবিয়ে
টোপনিত মোৰ ব্যাঘাত জন্মে...!!

বয়স বাঢ়ে
সময় টুটে
কেইটামান বিশেষ কথা
তোক কৈ যাব পৰা হ'লে....!!

কেতিয়াবা বুজিব নোৱাৰা
ভাৱনাবোৰে জোকাই থাকে
যিবোৰ ভাৱনাই
হৃদয়ৰ মাজত থিতাপি লয়
গোপনে গোপনে....!!

ভাগৰি পৰিছোঁ
ক্লান্ত দুভৰি
বিষণ্ণ দিনবোৰ
ঢপলিয়াই আহি...
মোৰ দুখৰ পদূলিত
জিৰণি লয়হি
জীৱনৰ অন্তিম ক্ষণটি...!!

# সোৰণশিৰি

ভূপেন আৰন্ধৰা

প্ৰকৃতিৰ অমিয়া সৃষ্টি
অতুলনীয় ধৰণীখন
উত্তৰে গিৰি মল্লিকা
দক্ষিণে সোৰণশিৰি।
শুভ্ৰ তুষাৰ গলি গলি
অফুৰন্ত গতিত বুকু ভেদি
পূবৰ পৰা পশ্চিমলৈ বয়
নাগ ৰাজৰ যেন গতি।
মৎস্যৰ দৰে সোণে উজালে
সোণোৱাল সকলে পালে
সেই কাৰণে এই নদীক
সোৰণশিৰি বোলে।
প্ৰতি বছৰে অম্বুবাচীত
প্ৰকৃতি শুচি হৈ
শস্য শ্যামলি আই লখিমী
আছে যেন পথাৰত ৰৈ।
মহাবাহুৰ লগত সোৰণশিৰি
যদিও মিলন হ'ল
দুয়োখন নৈৰ পানী ভাগ
কিন্তু ভিন্ন হৈয়ে ৰ'ল।
শস্য-মৎস্য ফলে-ফুলে
কত যেন যোগান ধৰে
জীৱন থাকে মানে
তোমাক সেৱিম
প্ৰভাতে প্ৰভাতে। ●

# মৰহা ফুলৰ বাণী

ডিম্বেশ্বৰ ফুকন

মৰহা ফুলপাহে মাটিৰ আহ্বানক প্ৰত্যাহ্বান জনাইছে
তুলা চালনীত ফেৰ মাৰিব পৰাকৈ এতিয়াও কিছু
পূণ্যৰ প্ৰয়োজন আছে।
গছৰ পাবত বহি মুকুলে ক'লে-
পৃথিৱীখন নিজতকৈ ধুনীয়া
কৰ্মৰ পাখিত উঠি তুমিও এবাৰ চাই যোৱা।
সুখৰ দিনত গণ সমাগম, দেৱতাৰো আগমন
মৌ মাখিৰ আখলতো আদৰ
কাৰো নাই ভাগৰ।
জীৱনে ৰং সলায়, এলেহুৱাৰ গতি নাই
কৰ্মই ধৰ্ম; অণুজীৱই তাকেই কয়।
খোজেপতি উজুটি, বিনাশৰ হুঁচিয়াৰি
ভয় নাই - শক্তিৰ যে বিনাশ নাই।
আতিথ্যৰ অবিহনে সময় গোপনে আঁতৰি গ'ল
দেহত চাব পৰিল; পিছে ঘুৰি নাহিল
দেহটো শুকান কিন্তু হৃদয়খন আত্মবিশ্বাসেৰে জীপাল
পৰোপকাৰী কণ্ঠত বাজি উঠিছে- 'পোহৰৰ গতিৰে
আগুৱাই যোৱা - শৈশৱতে দেখা পোৱা
সপোনৰ সঁচা ছবিক বাটতে লগ পাবা'
মৰহা ফুলপাহে নিজৰেই ইতিহাসৰ পাত লুটিয়াইছে
আউল নলগাকৈ আউৰাইছে
শ্ৰোতা দৰ্শক নাই
কেৱল সোঁৱৰাইছে
প্ৰকৃতিৰ কোলাত জীৱনৰো মূল্য আছে। ●

# বিশ্বস্ত সংগী

মল্লিকা বৰা

আজিও মোৰ নীলা, ৰঙা আৰু
সেউজীয়াবোৰৰ
বাতৰি তেওঁ ৰাখে...
তেওঁৰ নীলা ভাঁজতে যে পাৰ কৰিলোঁ
কতটা ৰঙীণ বসন্ত...
আৰু কতটা সেউজীয়া প্ৰশ্ন।
তেওঁ সকলোবোৰ উত্তৰ-অংশীদাৰী
কেতিয়াবা যদি চিয়াঁহিৰ নীলাবোৰ
বিয়পি পৰিছে...
সামান্য চকুলোৰ আকুলতাত,
কেতিয়াবা আকৌ বাৰে বাৰে কাটি কাটি
আকৌ একেবোৰেই উজাৰি দিছোঁ।
নিজৰ লগতে তৰ্ক কৰি...
কথা কিন্তু এটাই....

মই যে আকৌ তেওঁৰ ওচৰলৈ
নিতৌ গধুলি, দিনটোৰ হিচাপ লৈ
ঘূৰি আহিম... সেয়া নিশ্চিত।
তেওঁ, মই আৰু মোৰ কাঢ়া চাহকাপ,
গধূলিৰ নতুন হিচাপৰ আঁৰতে
মই যে আকৌ ভটিয়াই যাম....
সেই বিশেষ পৃষ্ঠাটোলৈ....
সেয়া কম বেছি পৰিমাণে দুয়ো অভ্যস্ত
অভ্যাসৰ তাড়ণাত।
হঠাতে এদিন অতীতৰ এটা চনৰ এটা তাৰিখত
মই আকৌ মোক লগ পাম।
সেই একেই সপোন আৰু প্ৰশ্নবোৰৰ মাজত।
ইমান সজীৱ ইমান প্ৰাণচঞ্চল, ময়েই
'তাই'...
আজিও তেওঁ, তাইক সাঁচি ৰাখিছে....।
মই তেওঁৰ মাজত হেৰাই হেৰাই আকৌ
নিজক বিচাৰি পাম।
কাৰণ, আজিও নীলা, ৰঙা,
সেউজীয়াবোৰৰ
বাতৰি তেওঁ ৰাখে। ●

# মৰমৰ জননী মোৰ আই

**পদ্মেশ্বৰ পেগু**

মাতৃৰ গৰ্ভৰ পৰা যেতিয়া জন্মিলো
বুকুৰ উমত মই স্তন পান কৰিছিলো
চকুৰে চকুৰে চাই ৰ-লাগি হাঁহিছিলো;
আয়ে মোৰ স্নেহত মুখত মুখ লগাই
আইৰ কোলাত শুইছিলো।

কত পৰি ধৰি কত হাঁহি কান্দোনে;
আইয়ে খেদা মাৰি ধৰে
ঠন ধৰা পৃথিৱী বনৰ উপৰে,

এখোজ-দুখোজকৈ ভৰি চলালো,
জগতৰ চাৰিওফালে সকলো দেখিলো!
লগৰীয়াৰ লগত চিনাকি হ'লো;
অঙ্গনবাড়ী বিদ্যালয়লৈ গ'লো
এইদৰে।
এইদৰে বহু শ্ৰেণী পাৰ হৈ মেট্ৰিক দিলো।
যিয়ে আজি গ্ৰেজুৱেচন লৈ ঘৰতেই বহিলো।

শোকান্তত চৰকাৰৰ চাকৰি বিচাৰি ফুৰো;
ক'তবাৰ নিযুক্তি পৰীক্ষাও দিলো
নাই মোৰ ধন বস্তু দিবলৈ একো!
মই হ'লো দৰিদ্ৰৰ সীমা ৰেখাৰ পুত্ৰ।

বৰ্তমান মই হ'লো সংসাৰৰ এটি বেকাৰ?
এনেয়েই পঠালো মোৰ যৌৱনৰ ডেকা;
মাত্ৰ বাকী মোৰ বিবাহৰ বাবে;
নাই মই নল'ও, নাযাওঁ মায়াৰ কাষে...
সংসাৰৰ বিলাসীতা লাগিল সকলো তিতা;
আজুৰি পেলাইছো মোহনাৰ য'ত মিঠা।
নাচাওঁ আৰু কাৰো মুখ, নালাগে আৰু সুখ,
জানো মই ধুন-পেচত আছে বহু দুখ।

হায়! মোৰ কপাল, হায়! মোৰ বিধি,
হায়! মোৰ জনমৰ ধিক!

আই মোৰ মৰমৰ মোৰ মুখলৈ চায়;
পৃথিৱীতকৈ বহল অধিক।
পিতৃ মোৰ ওখ আকাশতকৈ
মোৰ ভৱিষ্যতলৈ চায়,
পিতৃৰ নাই বহু মাটি-বাৰী
ভাগত নাই কম ককাই ভাই?

ৰাজনীতি, সমাজনীতি সকলো চালো,
মাত্ৰ জানিলো সঁচা ধৰ্ম নীতি পালো
জানিলো মোৰ জীৱনত ধৰ্ম শাস্ত্ৰই সঁচা।
য'ত খালো, চালো, ফুৰিলো সকলোৰেই মিছা।

হে ভগৱান কৃষ্ণ, তুমিয়েই মোজ জীৱনকৰ্তা,
মোৰ জীৱন উচ্ছৰ্গিলো, তুমিয়ে মোৰ বিধতা!
যি কৰা কৰিবা তোমাৰ ইচ্ছা।। ●

# কথাৰ পাক

প্ৰতিমা বুঢ়াগোহাঁই

কথাবোৰ থিক এনেকুৱা
কথাবোৰ দুই ওঁঠৰ ফাঁকেৰে
ওলাই আহে
এটি হালধীয়া হাঁহি হৈ

কেতিয়াবা আকৌ কথাবোৰ
শেল হৈ ওলাই আহে
কাৰোবাৰ মনত আঘাত দিব পৰাকৈ

কথাবোৰে নাজানে
এটি ভূৱনভুলোৱা হাঁহিৰ মাজতো যে
লুকাই থাকে এটি কুৎসিত মন

কোৱা শুনিছোঁ
কথাত কটা যায়
কথাত গতা খায়
কথাত আকৌ বঁটাও পায়

কথাত আকৌ থাকে বোলে
ব্যক্তিত্বৰ নমুনা

কথাই কথাৰ বাট কাটে
কথাই আকৌ কথাৰ সুৰো সলায়

কেতিয়াবা আকৌ
কথাৰ মাজতে বিচাৰি পায়
আত্মশুদ্ধিৰ মন্ত্ৰ

আকৌ কেতিয়াবা
কথাই কথাক দুবিধাতো পেলায়
তেতিয়া কথাবোৰে ভাবে
এহ্ ! কথাবোৰ কথা হৈয়ে থাককচোন।

# নদীমাতৃ

গুণ ভূঞা

দিবাকৰৰ বুকুৰ পৰা বিচ্ছুৰিত হৈ
আলাসতে ঘুৰি ঘুৰি
ধৰণী এদিন চেঁচা হৈছিল।
ওখোৰা মোখোৰা শিলাময় সুউচ্চ
পৰ্বত-পাহাৰৰ কোলাৰ পৰা নাচি নাচি
বনগীতত বাউলী হৈ
সমতলত সৰ্পিল গতিৰ চিত্ৰ আঁকি
জিৰণীৰ বাবে দৌৰ দিয়া প্ৰশান্তৰ বুকুলৈ।
তোমাৰ পাৰতেই সহস্ৰ প্ৰেমিকৰ আকৰ্ষণত
উদ্ভাসিত হৈছিল সভ্যতাৰ পোহৰ;
ভাৰতৰ বুকুত বেদোমন্ত্ৰেৰে ধ্ৰুমায়িত হৈছিল
আকাশৰ চাওনি
বিশ্বসভ্যতাৰ সাক্ষ্য এখন সঁচা দলিলৰ।
সমন্বয়ৰ সাঁকো গঢ়ে সাউদে
বিশ্বজয়ৰ সপোন ৰচা নৰঘাতক বোৰেও
তেজৰ ফাকু খেলিছিল তোমাৰ দুপাৰত
শস্য মৎস্য জাৰণি বননি সকলোৰে পূজিতা
জীৱন দায়িনী তুমি নদীমাতৃকা।

পচোৱাৰ বা চাতিত আকাশত মেঘে দেখিলে
কালৰূপা কিয় হোৱা
কিয় ধৰা ক্ৰোধ, দম্ভ, অহংকাৰ জিঘাংসাৰ
এক অমূৰ্ত্তক সংহাৰ মুৰুতি।
নিজৰ সৃষ্টিকেই ধ্বংস কৰাৰ
মুক্ত স্পৃহা জাগৃত হয় তোমাৰ বুকুত
বিভীষিকাৰ উন্মত্ততাত ৰণচণ্ডী হৈ
নাচি নাচি তৃষ্ণা দূৰ কৰা
শস্য-শ্যামলা সেউজ পথাৰবোৰ বালিৰ বলুকা কৰি
নিৰপৰাধী কৃষকৰ পেটত জুই জ্বলাই
স্থানচ্যুত গৃহহাৰা কৰি, পৰিতৃপ্তিৰ
অট্টহাস্য কৰাৰ নামেই তুমি নদীমাতৃ। ●

# শান্তি ঘূৰাই দিয়া

অনিমা বৰুৱা

সময় সলনি হ'ল......
পৰিৱৰ্তনৰ চাকনৈয়াত মগজু ওৰলি গ'ল।
সেউজীয়া ঘাঁহনি দৰা হালধীয়া হ'ল,
বনৰীয়া ফুলৰ সুবাসবোৰ হেৰাই গ'ল
ভয়াতুৰ পক্ষীবোৰ আঁতৰি গ'ল....
নিজান নিস্তব্ধ জয়াল অৰণ্যত
আত্মাৰ কৰুণ আৰ্তনাদ
ৰিণি ৰিণি বাজি ৰ'ল....
কি দোষ আছিল আমাৰ?
প্ৰশ্নবোৰ প্ৰতিধ্বনি হ'ল।।
বোৱতী নদীবোৰ থমকি ৰ'ল
নিজৰাৰ পানীবোৰ ৰঙা হৈ গ'ল
নিৰ্মল আকাশখন আন্ধাৰ হৈ গ'ল
বাৰুদৰ ধোৱাৰে ধূসৰিত হ'ল।।
উজ্জ্বল হাঁহিবোৰ ইতিহাস হৈ ৰ'ল
গোলাপৰ ৰঙা পাহি মৰহি গ'ল।।
দেশৰ বাবে দহৰ বাবে
কত শত জোৱানে প্ৰাণ আহুতি দিলে...।।

নাজানো কোন মাতৃৰ বুকু উদং হৈ গ'ল
কপালৰ ৰঙা সেন্দুৰ কাৰ মচা গ'ল।
প্ৰতিশোধৰ ধ্বংস যজ্ঞ কিয় আৰম্ভ কৰিলে
ৰণৰ দুন্দুভি কোনে বজালে??
কাৰ বাবে??... কিহৰ বাবে?? এই শক্তি প্ৰদৰ্শন
নিৰীহ প্ৰজাই নুবুজে তাৰ প্ৰকৃত কাৰণ।।
নেলাগে আমাক অস্থিৰ পৃথিৱী
লাগে মাথো শান্তি শান্তি আৰু শান্তি।। ●

# ৰাধা

ৰূপাঞ্জলি ভূঞা

মই ৰাধা.....
কানাইৰ আজন্ম প্ৰেয়সী
যমুনাৰ বালিৰ সংলগ্ন দ্যুতি
প্ৰেম প্ৰিয়াসী মই অভিন্ন সাৰথি

প্ৰেমৰ মুকুতা বুটলি
খোদিত কৰিলো আৰাধ্য ছবি
কানাইৰ বাঁহীত কলিজাৰ হাঁহি
শিৰাই শিৰাই কদমৰ পাহি।
গোৱালী মই যমুনাৰ সখী
কলংক বুকুত সামৰি
অনুৰাগ মনত সাৰটি
ৰাধিকা মই ......
কানাইৰ বাঁহীৰ বাউলী লগৰী।

বিৰহিনী মই.....
পূৰ্বজন্মৰ অভিশপ্ত মালিতা
উন্মাদিনী মই.....
ভগৱৎ প্ৰেমৰ আত্মিক সুধা।
মই অভিসাৰিণী ৰাধা
প্ৰেমিক কৃষ্ণৰ বৃন্দাবনী গাঁথা।
হিয়াৰ আমঠু কৃষ্ণৰ মই
গোপীৰ ঈৰ্ষাৰ লেলিহান শিখা।
স্নিগ্ধ প্ৰেমৰ মৌন কাকুতিৰে
জীৱাত্মা-পৰমাত্মাৰ মিলনৰ ৰাগীৰে
সেৰিকা মই ৰাধা ব্যাকুল দাসী,
ৰাধা-কৃষ্ণৰ যুগল বন্দীৰে
ভক্ত হৃদয়ৰ সুমধুৰ কাকলিৰে
যুগে যুগে প্ৰজ্জ্বলিত নান্দনিক প্ৰেমৰ
মই সাক্ষী, মই ৰাধা কিংবদন্তি।
মই ৰাধা.....
কানাইৰ মুখৰ অমৃত বাণী।। ●

# মৰমৰ প্ৰতিবাদ কৰিম

বিকাশজ্যোতি ভূঞা

তোমাৰ মৰম বিচাৰি এদিন
প্ৰতিবাদ কৰিম।
প্ৰতিবাদ মানে দুৰ্দান্ত প্ৰতিবাদ!
অভিমানৰ বাৰ্তা বিচাৰি
তোমাক স্মাৰক পত্ৰ দিম।
এদিন মৰমৰ প্ৰতিবাদ কৰিম!

গণেশগুৰিৰ অ'ভাৰব্ৰীজৰ তলত
নহ'লে জনতা ভৱনৰ সন্মুখত
অন্নসন কৰিম,
লখিমপুৰৰ পৰা আৰম্ভ কৰিম
চাইকেল ৰেলী
প্ৰতিবাদ মানে দুৰ্দান্ত প্ৰতিবাদ।

তুমি ব্যাকুল হ'বা
মোৰ মৰমৰ প্ৰতিবাদ দেখি
উৰুঙা চকুপানীৰে
ধূলিয়ৰি বাটত তোমাৰ ছবি আঁকিম
সেমেকা বতাহে চুমি যোৱা
হালধীয়া দুগালত
প্ৰেমৰ নাম লিখিম,
মৰম বিচাৰি এদিন প্ৰতিবাদ কৰিম।। ●

# সূতা

**মাধৱ বৰা**

সূতাডাল বাঢ়ি গ'লে
আশাবোৰ বাঢ়ে

জানোছা সৰাপাতৰ দমৰ মাজত বিচাৰি পাম পুৰণি হেৰোৱা
সূতাডালৰ আঁতটো....

তুমি শিপিনী হ'ব নোৱাৰা বাবেই
তাঁতৰ সঁজুলীবোৰ পিতায়ে পুহমহীয়া জাৰৰ শেঙেতা
খেদাৰ লগনী কৰিলে
ৰাচখন তোমাৰ বিচনাৰ তুলিৰ তলত আয়ে ৰাখিছে
কিবা বাহিৰা বস্তু নাহে বোলে
মাকোৰ শব্দ শুনিবলৈ পুৰণি বিহু কেচেট এটা লগাই
কৰ্মশালাত যুৱতীয়ে হাতত সুৰা বটল তুলি লৈছে

ৰোৱনী নাই
দাৱনি নাই পথাৰত
কিবা যন্ত্ৰৰ ভৰত কোঙা হ'ল আঘোনৰ পথাৰ
পৰিৱৰ্তন নে....সময়ৰ আহ্বান.......
তুমি হিচাপটো ৰাখিবা

সূতাডাল বাঢ়ি গ'লে
আশাবোৰ বাঢ়ে ..... তেনেকৈয়ে..... ●

# তেজীমলা

**গোলাপী ভূঞা বৰা**

যুগে যুগে সাহিত্যৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
মই তেজীমলা।
মোক অকলশৰীয়া কৰি আই
শুই পৰিল নিয়তিৰ কোলাত চিৰদিনলৈ।
মাই আয়ে জাপি দিয়া কপাটৰ কাপোৰৰ দক্মকীয়া
আঙঠা আৰু নিগনীটোৱেই মোৰ জীৱনৰ কাল ধুমুহা।
সখীৰ বিয়াৰ পাচত মই কুলক্ষণী,
মাহী আইৰ ঢেঁকীৰ চাবতেই
ৰক্তিম গোলাপ পাহ বিলীন হ'ল ধ্বনিত।
পানীপতাত লাও হৈ বগাই
খোজনীয়া আইতাক শুনাও কৰুণ বিননী।
ৰবাব টেঙা হৈ গৰখীয়া ভাইহঁতক
ক'লো দুখৰ হুমুনিয়াহবোৰ।
নদীত ফুল হৈ থাকো ফুলি,
পিতাই অহাৰ সপোন বুকুত ৰাখি।
পিতাই আদৰৰ জীয়ৰী মই,
সাত সাগৰৰ মুকুতা পিন্ধাই মোক সুখত ৰখা
অদম্য হেঁপাহ পিতাইৰ বুকুত।
সাউদৰ ওভোটনি যাত্ৰা,
জকমকাই থকা ফুল এপাহ চিঙি

জীয়ৰীলৈ নিয়াৰ আগ্ৰহেৰে আগবাঢ়ে,
"হাতো নেমেলিবি, ফুলো নিছিঙিবি
ক'ৰে নাৰৰীয়া তই,
পাট কাপোৰৰ লগতে মাহী আই খুন্দিলে
তেজীমলাহে মই।"
জন্ম জন্মান্তৰ চিনাকী মাতে সাউদৰ বুকু ভেদিলে
নদীও ৰ'ল থমকি,
মানুহৰ জীয়ৰী হৈও মই আজি হৈ আছো ফুল,
পিতাই মোক লৈ যোৱা,
জীয়াই থাকিব বিচাৰো বাস্তৱতাৰে।
মাহী আইৰ নিষ্ঠুৰ আচোৰত মই
যুগে যুগে সাধুকথাৰ ফুল ফুলি থকা তেজীমলা। ●

# কিযে গৰম

লাৱণ্য ৰাণু ফুকন

বতৰৰ ফল টিলিকি আম
সময়ত নাখালে আকৌ জানো পাম!
বজাৰত আমবোৰ ধুনীয়াকৈ থয়
তথাপিও লোভৰ পানী অকণো নবয়!
গছৰ টিলিকি আমবোৰ দেখি
তাকে খাই চাওঁচোন ইমান গৰম আজি!
চাটিফুটি লাগিছে পুৰণি ডেৰণি গা
বৰষুণ দিবৰ বাবে কৰিছো প্ৰাৰ্থনা!
দিয়া নাই কাণ বৰুণ দেৱতাই
মানুহৰ ওপৰত খঙ উঠিছে সঘনাই!
ঘৰবোৰ অট্টালিকা হ'ল
বাৰীবোৰ নাইকীয়া হ'ল!
অ' শুনিল, শুনিল এদিন আমাৰ
প্ৰাৰ্থনা,
বতাহ বৰষুণ আহিল!
জীৱৰ লগতে গছ লতাও প্ৰাণ বাচিল!
পিছে, বিপদ আমাৰে নামিল
কেউফালে বানপানী উজনি নামনি
আকৌ কৰিছো প্ৰাৰ্থনা ঈশ্বৰক
দয়া কৰি আমাৰ প্ৰাণ বচোৱা
ঘৰ-দুৱাৰ উটি গ'ল জীৱ-জন্তুৰ লগতে
হায়! হায়! মন্ত্ৰী মহোদয় কিবা কৰি
আমাক বচোৱা নিৰ্বাচনৰ আগত
কোৱা কথাবোৰ এবাৰ মনত পেলোৱা!

# এটা মৃতদেহৰ আত্মকথা

**বিপ্লৱ বৰা**

নাযাবা তালৈ
নোৱাৰিবা চাব
মৃতদেহৰ অগ্নিকুণ্ড!
শগুন-চিলনীয়ে থপিয়াব নোৱাৰা
মৃতাত্মা!
সৌৱা চোৱা
অভেদ্য দুৰ্গ, যন্ত্ৰ মানৱ!
যান্ত্ৰিকতাৰ পৃথিৱীত
বাকৰুদ্ধ ৰাজআলিটো
মৰাশৰ দৰেই পৰি আছে;
মৰিশালিৰ কান্ধ মাৰি
নালাগে এতিয়া।
সৌৱা দেখিছা
তেজাল দুপৰীয়াটোৱে
পুৱাতে গাবলৈ শিকিছে গধুলিৰ গান।
তুমি যোৱাগৈ
নাহিবা কেতিয়াও!!
আস্
ধৰ্মক দোহাই নিদিবা
অধৰ্মী সকলো;
যোৱাগৈ, কিয় ৰৈ আছা?
কাৰ বাবে?
মোৰ সৈতে নোৱাৰিবা যাব
তুমি এতিয়াও দেখা নাই
চোৱা -

মোৰ মৃত্যু হৈছে!
ৰেচিপি খাইছা নৰমাংসৰ
নাইখোৰা তুমি!!
তোমাৰ মৃত্যুত ধ্বংস হ'ল
আশাৰ বলুকা।
পৃথিৱী শান্ত হৈছে
যন্ত্ৰ বিলাকৰ
মন-মগজুত ব্যস্ততাৰ হেলাইখনে
জৰি চিঙি
খেলিছে দৰা-কইনা
অলং-দলং,
বিস্মৃতি আইতাৰ সাধুমেলৰ
আখৰা চলিছে
পাছ চোতালত।
যোৰা তালৈকে
কৰ্দৈ, আম-জামে পাহৰা নাই
ধৰ্ম কিম্বা বিজ্ঞানৰ কথা,
নৈখনেও সুঁতি সলোৱা নাই
বালিচৰত জাপি দিছে বাৰিষাৰ সপোন।
শান্ত পৃথিৱী, শান্ত গছ-লতা
তৰু-বৃক্ষ,
ক্ষুদ্ৰ জীৱৰ মৰাশৰ দ'ম দেখি
পৃথিৱীয়ে নোতোকে চকুলো!!!
যোৰাগৈ তুমি!
নাহিবা কেতিয়াও
মই এটা মৃতদেহ!!!! ●

# আহিনে আনে শৰতৰ ঠিকনা

বন্দনা শৰ্মা

পুৱাৰ কিৰণে আনে আবেগৰ ঠিকনা
সন্ধিয়া শেৱালীয়ে দিয়ে শৰতৰ বতৰা,
শৰৎ মানেই শেৱালীৰ সুবাস
শৰতৰ আগমনে জোনাকী পোহৰ বিলাই,
থুপি থুপি তৰাবোৰে হাঁহি মাৰি যায়
অপৰূপ সৌন্দৰ্য্যৰে ভৰা শাৰদী সময়।

ৰূপালী বালিচন্দাৰ চিক্‌মিকনি
নৈৰ পাৰত গজি উঠা ঝাও বনৰ গজালি,
শাৰী শাৰী ৰূপত মাধুৰী সনা,
পাৰত বহি লিৰিকি বিদাৰি ৰং বুটলি,
আপোন পাহৰা হওঁ নদীৰ ঢৌ দেখি।

শীতল সমীৰণে এচাতি মলয়া এৰে
শুকুলা কঁহুৱাবোৰে ৰঙতে আবিৰ সানে,
বালিমাহী চৰাই জাকে লুকাভাকু খেলে
বিৰিণাই উলাহতে শৰতক মাতে,
আহিনৰ সৈতে মিতিৰালি পাতে,
শৰৎ আকৌ আহিল এই বাটেদি
দূবৰিৰ দলিছাত শেৱালী সৰিল।
এমোকোৰা হাঁহি মাৰি শেৱালী সাজু
শৰতক আদৰি বান্ধিলে প্ৰেমৰ সাঁকো।
শৰৎ আৰু শেৱলীৰ সম্পৰ্ক গধূৰ,
নিৰিবিলি সন্ধিয়া আত্মবিভোৰ
আহিনে আনিলে শেৱালীৰ সুবাস
গোন্ধতে আমোলমোল সন্ধিয়া পদূলি শুৱাই। ●

# আই

বিনোদ বিহাৰী বসুমতাৰী

বুকুৰ গভীৰত
শিলক শুৱাই থৈ
নদীৰ দৰে বৈ আছে
মোৰ আই

“নদীৰ দৰে ব’ব কোন
আইৰ দৰে হ’ব কোন”

আইৰ দৰে হ’ব জানো কোনোবা
যাৰ বুকুত বৈ আছে
এবুকু মৰমৰ
অন্তঃশলীলা ফল্গুধাৰা

দুখৰ এন্ধাৰে

মেৰিয়াই ধৰা ৰাতিবোৰতো
সপোন হেৰোৱা অস্থিৰ
জীৱন নদীৰ নাওবোৰৰ
গুৰি বঠাত সাৰতি আছিল
মসৃণ সবল দুহাত

শুনাতো নাই কেতিয়াও
প্ৰতিবাদৰ ভাষা
জানো মাথোঁ
আঁচলত জেতুকা বুলিয়া সাঁচতীয়া সপোন গাথা।

দৈনন্দিন জীৱনৰ ব্যস্ততা
আহৰিয়েইবা ক'ত
কেনে আছা মোৰ আই
বিশ্বায়ন সমুদ্ৰৰ উত্তাল জোৱাৰত
উটি যায় ছিগি যায় মৰমৰ এনাজৰী

অবিশ্বাস্য ত্যাগৰ প্ৰতিভূ
অপ্ৰত্যাশিত ছাঁ বিহীন জীৱনৰ
অনভিপ্ৰেত বিৰল আত্মপ্ৰতাৰণা

নদীৰ দৰেই নিৰৱে বৈ আছে মোৰ আই ●

# জলছবি

ৰুলি শৰ্মা পূজাৰী

বুকুত জীপাল ধানৰ সপোন লৈ
জোপোহা সেউজবোৰ গাভৰু হৈ আছিল।
তাতে হঠাৎ -
জোনাকৰ বুকুত নামি আহিল এজাক ধুমুহা,
জলৰ সোঁতেৰে সি ভাঙি থৈ গ'ল
সেউজীয়া সপোনবোৰ।

ঘৰৰ চোতালত উঠি অহা ফুলনিখন আৰু
পুৰণি গোঁসাইঘৰ খনে পানীত ৰাওঁচি জোৰে
ওপৰৰ পৰা আহে মেঘৰ চিঠি,
ক্ষমা কৰিবা, এইবাৰো বান্ধিব নোৱাৰিলো।

জলতৰংগৰ বোৱতি পানীত,
ঘৰৰ শিশুটিয়ে হাঁহি আৰু অন্নৰ
চিঠি নোপোৱা হেঁপাহৰ দৰে
পানীত উটি যায়।

ধৰাৰ তলৰ মাটিকণ এতিয়া নাই,
আঁচলৰ তলত থাকিবলৈ শিকা শিশুটি
এতিয়া নৈৰ বুকুত,
জোনাকী পানীজাকত মাকৰ মাত বিচাৰে।

তথাপি,
জলৰ মাজতো পোৱা যায় এক ধৰ্ম,
এক ব্ৰত-মাটিক ভালপোৱাৰ,
বিপদৰ মাজতো বাঁহীৰ সুৰেৰে
সপোন ৰচা মানুহৰ।

নৈখনে যেন ক'ব বিচাৰিছে,
ক্ষমা কৰা, মোৰো অন্তৰে কান্দে।
বানপানীয়ে নাজানে দেশ, ধৰ্ম, জাতি,
সিহঁতে মাথো গিলি পেলায়,
হেঁপাহ, ইতিহাস, মানুহ।

কিন্তু গাঁওখনে হাৰ নামানে।
হাঁহি মুখেৰে জলৰ বুকুত সাঁতুৰি
আকৌ সজাই পথাৰখন।
অন্নৰ জোনাক বিয়পাই দিয়ে,
মাটি, মানুহৰ বুকুত আশাৰ উজান তোলে। ●

# ডিচ্‌কাউন্ট

**নৰজ্যোতি ভূঞা হাজৰিকা**

খোজে প্ৰতি
ডিচ্‌কাউন্ট
মোৰ চাৰিবেৰৰ মাজত।।

প্ৰতি শব্দতে বাজে
ডিচ্‌কাউন্ট পাৰ্চেন্টেজ,

ফৰ্টী, ফিফ্‌টী অথবা এইটটী....
পিন্ধা খোৱা বনোৱা অথবা মনৰ আদান
প্ৰদানৰ মেৰ পাকতো....।

ডিচ্‌কাউন্ট।।

চৌখিনতাৰ
সীমা চেৰাই যায়।
বিলাসী বাসনাৰ উৰ্ধত
আকলুৱা হৃদয়।।

বজাৰবোৰ মল হয়,
ঘৰবোৰ ফ্লেট হয়,
কিনাবোৰ স্বপিং...
পিন্ধাবোৰ ব্ৰেণ্ড...
সকলোবিলাকতে

.....ডিচ্কাউন্ট

মিদ্ নাইট্ অ'ফাৰ...
মিন্ত্ৰা, জবাং, ফ্ৰাষ্ট ক্ৰাই, আৰ্বেনিক,
পেপাৰ ফ্লাই
ইত্যাদি....

মোৰ বিলাসীতাৰ চূড়ান্ত পৰিচয়।।

মই খাই ভাল পাও।
কে এফ চি, বাৰ্বি কিও, পিজ্জা,
ককটেল, মকটেল....

ব্ৰেণ্ডৰ ফাঁকেৰে
মই বিচাৰি ফুৰো,
ইউ চি বি, ভেৰ' মডা, জিভামি বা
মুচি মেট্ৰো

ডিচ্কাউন্ট
সকলোতে।।

সময়ৰ অস্ত্ৰোপ্ৰচাৰ....

টাইটান টাইমেক্সত
মাইকেলক'ৰ্চ, গুচ্ছিৰ বাহুলত্য।।

নকীয়া মট'ৰলাৰ বিশুদ্ধতাৰে আহি
ছেম চাং, ভিভ', অপ'ৰ পথ'ত
বাওনা হৈ হাত মেলো,
আৰু....

কল্পনাৰ ৰঙেৰে খেলো জুৰা.....
আইফোনৰ আশাত।।

প্ৰেম মৰম আৰু ভালপোৱাৰ আবেগটো
থাকে,
সুখৰ ডিচ্‌কাউন্ট।।

বহু এৰি
বহু ধৰি

তিতাচপা চেগুনক
সাক্ষী কৰি
কটাও
বিনিদ্ৰ ৰজনী।।

তাতো আছে
ডিচ্‌কাউন্টত!
উঠনটো
পতনটো

কেৱল আৰু কেৱল
মাথো,

ডিচ্‌কাউন্ট...!!!
ডিচ্‌কাউন্ট...!!!
ডিচ্‌কাউন্ট...!!! ●

# মিউজিয়াম

নিপন পূজাৰী

ভাল লগা আৰু ভাল পোৱা,
ইয়াৰ মাজতো আছে-
এক সামাজিক সীমাৰেখা।
হৃদয়ৰ গভীৰতা
আকুলতা
আৰু
বাহ্যিকতাৰ এক মায়াময় খেলা।
সঁচাক মিছা
আৰু
মিছাক সঁচা  সজোৱা,
ই হ'ল ৰহস্যৰ এটি ৰঙীণ একুৰিয়াম,
সংগোপন অধ্যায়ৰ
এক সজীৱ মিউজিয়াম।

সময় আহে আৰু যায়
সময়ৰ দলিচাত সপোনে ৰং চটিয়ায়,
কিছু ৰৈ যায়
কিছু উৰি গৈ ঠিকনা হেৰুৱায়,
ৰৈ যোৱা ৰংবোৰ ৰঙীণ পখিলা হৈ
মন আকাশৰ মাজে-মাজে
মৰমৰ এটি মিউজিয়াম সজায়।
মনৰ মিউজিয়াম,
সপোনৰ মিউজিয়াম,
এটি হেঁপাহৰ মিউজিয়াম।●

# প্ৰেমিক চৰাই

ড° স্বপ্নালী গগৈ

আঁহা, আকৌ এবাৰ প্ৰেমত পৰো
নতুনকৈ আৰম্ভ কৰো
সেই সকলোবোৰ
যিবোৰ সময়ৰ পাকচক্ৰত
এদিন হেৰাই গ'ল।

তেতিয়া যে
পৰিয়ালৰ ভয়ে, সমাজৰ ভয়ে
আমাক মূক কৰি ৰাখিছিল।
লগ পোৱাতো দূৰৰে কথা
তোমাক মাত্ৰ এবাৰ চাবলৈকো
বুকুত সাহস গোটাব পৰা নাছিলো।
জানোচা কোনোবাই কিবা কয়,
কিবা ভাবে।

ওৰে ৰাতি উজাগৰে থাকি
মাত্ৰ তোমাৰ কথাকেই ভাবিছিলো
প্ৰাণ ভৰি ভাল পাইছিলো আকাশখনক

যি আমাক এক কৰি ৰাখিছিল।
দিনৰ বেলিটো আৰু ৰাতিৰ জোনটো
দুয়োটাই আছিল আমাৰ অতি প্ৰিয়
য'ত তোমাৰ আৰু মোৰ
চাৱনিৰ মিলন ঘটিছিল
আৰু, তোমাক স্পৰ্শ কৰি অহা সেই বতাহজাক
লাজতে মই ৰঙা হৈ পৰিছিলো
ভৰি গৈছিল মন-প্ৰাণ-বুকু
সকলোতে মাত্ৰ তুমি তুমি তুমি
আৰু তোমাৰ বুকুভৰা ভালপোৱা।

আহানা, আকৌ এবাৰ প্ৰেমত পৰো
এতিয়া সমাজ সলনি হ'ল
জাত-পাত
সেইবোৰো আজি-কালি তেনেই সৰু কথা
অথচ, তেতিয়া ইও আছিল
এক প্ৰতিবন্ধকতা।
মোৰে শপত
তুমি মোক লগ কৰিবলৈ আহিবা কিন্তু।
আমি দুয়ো লগ হ'ম
চহৰৰ কোনোবা বিলাসী ৰেষ্টুৰেণ্টত
প্ৰাণভৰি কথা পাতিম
হাঁহিম
চকু থৈ চকুত
হাতত থৈ হাত।
বিৰহ আজি এটা অচিনাকি শব্দ
সকলোতে এতিয়া মাত্ৰ মিলনৰ জয়গান।
পত্ৰলেখাৰ পত্ৰবোৰো হয়তো আজি

ঠিকনা হেৰুৱাই
কোনোবা অজান্তি মুলুক পালেগৈ।

কথা দিছো-
সৰু সৰু কথাতেই
তোমাৰ ওচৰত মই অভিমান নকৰো
আৰু?
আৰু তোমাক মাতবোল নকৰাকৈ থকাৰ কথা কৈছা?
তোমাৰ শপত
তেনে কাম নকৰো কেতিয়াও

সমাজৰ কোনো বান্ধোনেই
এতিয়া আৰু আমাক
আঁতৰাই ৰাখিব নোৱাৰে
আমি হৈ ৰ'ম অনন্ত কাললৈ
বসন্তৰ এযোৰ প্ৰেমিক চৰাই। ●

# অনাখৰী

বৰ্ণালী গগৈ

এক ঃ
নেদেখা নদীৰ মাতে কিয় যে ব্যাকুল
কৰে!
পাহাৰী নিজৰা হৈ উচ্ছ্বাসবোৰ
আচাৰ খাই পৰে,
ক'ৰবাৰ বালিচঁহীয়া মাটিত যেন
শাৰী-শাৰী গোমধান গজে
মই নাজানো মই এতিয়া
পলস, বালিচৰ নে
মোহনা!

দুই ঃ
হেৰাওঁ বুলিয়েই হেৰাই যায়
বিশ্বাস, আস্থা অথবা ভাল লগাবোৰ
দূৰ হওঁ বুলিয়েই আঁতৰি যায় বন্ধুৰ
অন্তৰঙ্গতা
স্মৃতিবোৰ যেন সাগৰ পাৰৰ বালিৰ
চিকমিকনি
অথবা বান্ধভঙা আবেগৰ
উচ্ছল জোৱাৰ
সেমেকা বালিত শামুক বিচৰাই নেকি
জীৱন
এতিয়া!

তিনি ঃ
নিশাৰ তৰালি
নে নদীৰ মখমলি বুকুৰ জোনাক
পাৰ বন্ধা নাওঁ
নে বেলি উঠা ঘাট
ফুলৰ সুবাস
নে শিশুৰ কলৰৱ
শীতৰ জুহাল
নে হেমন্তৰ নিয়ৰ!

জীৱন যেন বতাহত শেৱালি সৰাৰ ছন্দ!
চাৰি ঃ
সেউজীয়াত উজ্জীৱিত মৰহা সত্তা
নে সত্তাৰ সেউজীয়াত প্ৰোথিত জীৱন
ক'ৰবাত যে এখন নীলা নৈ বৈ থাকে
তাতকৈও নীলা হৈ উৰে মতা ময়ূৰৰ
চিএওৰ
শেষ আবেলিৰ
নিৰ্জনতাত
আৰু আমলখি পাতৰ মাজেৰে
এটুকুৰা জোন উঠে!

জোনাক ওপচা মায়াবী ৰাতি
দূৰৰ হাবিত চম্পাফুল ফুলে। ●

# বাসনাৰ এঁৰা সূতা

জেমী গগৈ

কোনো এক বিস্তীৰ্ণ
মুকলি এলেকাৰ
উঁই হাঁফলু
নাইবা উচ্চ স্থানত
থিয় হৈ নিজকে চাবাচোন...
শূন্যতকৈও শূন্য
ধূলিতকৈও ধূলি
খালি চকুৰে মনিব নোৱাৰা
পদাৰ্থৰ দৰেই
লাগিব নিজকে...
ইমানেই নিঃস্ব আমি।

কিন্তু
আমাৰ গৰ্বই
আমাৰ বাহ্যিকতাই
কস্মিনকালেও
মানিব নোখোজে এই
সত্য। আৰু আমি
অন্তঃসাৰশূন্য ভাৱে
শূন্যত গদা ঘূৰাই
অহৰ্নিশে ব্ৰতী
নিজকে জাহিৰ কৰা
আৰু আনৰ

দোষ বিশ্লেষণ কৰি
নিজকে ধোৱা তুলসীৰ
পাত সজোৱা।

এঁৰা সূতা হেনো বৰ ঠুনুকা
অলপ টান খালেই
আঁহবোৰ ফাঁহ-ফাঁহ হৈ
কমোৱা হৈ উৰে।
কমোৱা বুটলি কোনোৱে
সময় বৰবাদ নকৰে
কাৰণ কমোৱা তুলাৰ
উপাদান মূৰ ঘূৰণিৰ কাৰণ হেনো।

এঁৰা সূতাৰ ৰছীত সীয়া
ধোৱা তুলসীৰ পাত
এৰাতিলৈকেহে...
ফুলশয্যাৰ আগে আগে
ই হৈ পৰে
ব'ব থ'ব নোৱাৰা
এক অনাহুত আবৰ্জনা ●

# ৰঙানদী

**দ্ৰোণ হাজৰিকা**

চীন চাই অহা
তুমি যদি ৰঙানদী
এতিয়া তুমি
নৰতম বুৰঞ্জীৰ বেটুপাত।।
দুয়োপাৰত তোমাৰ
বিধান ভৰ্তি সংবিধান,
বাধাহীনতোমাৰ গতিত
প্ৰচণ্ড প্ৰজন্মৰ আহ্বান।।
বাৰিষাৰ বৰষুণ
মেঘে ঢকা আকাশ
কত শত সোণসেৰীয়া সুঁতি
তোমাৰ আপোন!
বালিচন্দা জিলিকা বুকুত তোমাৰ
অলেখ সপোন।।
চীন চাই অহা
তুমি যদি ৰঙানদী
নাওবৈচা তোমাৰ সন্তান
আজি হ'লা
সমবেত গান
সভ্যতাৰ স্বাভিমান।। ●

# হয়তো আজিও

অনন্যা সন্দিকৈ

যাওঁ বুলি ভাবিলেই যে,
নোৱাৰি এতিয়া বিছাৰি যাব
কিছুমান মানুহ... কিছুমান ঠাই.... আৰু
কিছুমান মুহূৰ্তৰ শিপা খুচৰি।
অতীতবোৰে কেতিয়াবা বৰকৈ শিপাই মোক
আৱেগবোৰ সাঁচতিয়া মোৰ আজিকালি
আঁতি আঁতি নধৰালৈকে গোটাই যাওঁ,
আৰু এদিন এটা গভীৰ নিশা বাঁচি
উজাৰি দিওঁ নিগৰাই নিগৰাই..
জোনজনীক সাক্ষী কৰি।
পৃষ্ঠাবোৰ আজি লুটিয়াই চাবৰ মন গ'ল....
ভটিয়াই গৈ সেই সন্ধিয়াটোতেই ৰ'লোঁগৈ,
আত্মীয়তাবোৰ শুকুলা তেওঁৰ মোক লৈ
হয়তো আজিও ....
গভীৰ উকা যদিও কোনোদিনেই অভিমান নাই।
সেয়া সময় আছিল তাহানিৰ....
আৰু এতিয়া সময় ৰোমন্থনৰ।

ইয়াৰ মাজতে কতটা সন্ধিয়া ধাৰলৈ
ল'লো আমি...
দুয়ো দুয়োকে সাক্ষী কৰি।
নাজানো, হিচাপ ময়ো নাৰাখিলোঁ
আৰু হয়তো তেৱোঁ।
কাৰণ যাওঁ বুলি ভাবিলেই যে;
নোৱাৰি এতিয়া বিচাৰি যাব
কিছুমান মানুহ..... কিছুমান ঠাই.....আৰু
কিছুমান মুহূৰ্তৰ শিপা খুচৰি....
তেওঁৰ হাত ঘড়ীৰ সময়ে সাঁচি ৰখা মোৰ
কিছুমান ৰঙা সুবাস তেওঁতেই বেকাৰ
বিলীন .....হয়তো আজিও। ●

# শকুন্তলা

**অপৰাজিতা হাজৰিকা**

মহাকাশৰ বিশালতা,
গভীৰ সমুদ্ৰৰ লহমা,
চিৰ জাগ্ৰত পৰ্বত-পাহাৰ আৰু
সেউজীয়াৰ বুকুৰ শিশিৰকণাখচিত সুকোমল দলিচাক সাক্ষী কৰি
উদিত সূৰ্যৰ ৰক্তিম আভাৰে তুমি
সিঁচি দিছিলা সেইদিনা
মোৰ শিৰত বিশ্বাস আৰু গভীৰ আস্থা।
মহামিলনৰ শুভক্ষণত
অদূৰত বাজি উঠিছিল
মঙ্গলময় শংখ, ঘন্টা আৰু উৰুলি-ধ্বনি!
আঁকোৱালি লৈছিলো - যুগ্ম জীৱনৰ সোণৰ সপোন!!
শূন্য দূৰত্বত একাত্ম হৈছিলো তুমি-মই এক শুভক্ষণত!!!
কালৰ দুৰ্বিসহ গতিত উটি গ'ল হঠাৎ
মোৰ ইপ্সিত আশাৰ সংসাৰ
ভাগি পৰিল সৰগ মোৰ চৌপাশে,
উপহাস কৰিলা তুমি অকাৰণে নিচিনি,
তচ্‌নচ্ কৰি হৃদয়-দাপোণ মোৰ
আজীৱন মদমত্ত হৈ ৰ'লা ৰাজমহলত;
মিছা অনুৰাগ-ৰঞ্জিত তোমাৰ স্পৰ্শত
এদিনলে জী-উঠা অধৰত নাই এতিয়া
জীৱন জীয়াৰ তিলমানো ৰক্তিম বাসনা।

মনত পৰে,
মিলন মধুৰ মাধৱী পৰৱ
শ্ৰেষ্ঠতম উপহাৰ
সেই-অন্যায়, অবিচাৰ আৰু
হীৰাখচিত স্বৰ্ণৰ আঙঠিৰে
তুমি কৰা চৰম প্ৰতাৰণা;
যি, কোনোকালে নহ'ব ক্ষমাৰ যোগ্য!!!
অৱশ্যে, নিজান পৰত তুমি কোৱা কথাবোৰে
এতিয়াও মোক বৰকৈ আমনি কৰে,
ৰৈ ৰৈ বাজি উঠে অপূৰ্ণ মিলন-বাসনা-সিক্ত
অনাকাংক্ষিত সপ্তসুৰৰ মায়াবী দ্যোতনা
মোৰ হৃদয় বীণত;
তোমাৰ ৰক্তবীজ অৱধাৰিত
গৰ্ভৱতী মাদকতাই অদ্যপি দিছে মোক
অবুজ, অব্যক্ত কিবা এক আশাৰ ৰেঙণি।
সেয়েহে, সপ্তসূৰ্যক সাক্ষী কৰি
স্বপ্নীল আকাশৰ তলৰ বৰ্ণিল সেউজীয়াত
বৰ অকলশৰে সময়লৈ অপেক্ষাৰত
মই অভাগিনী,
বিৰহী শকুন্তলা। ●

# সহজ কি

ললিত শইকীয়া

প্ৰেমো নহয় সহজ

মৃত্যুও নহয় প্ৰেমতকৈ সহজ

সহজ নহয় সকলো সিদ্ধান্ত
নীতি-নিয়ম এই জন্মান্তৰৰ

যি নিয়মে দিন-ৰাতি হয়, ৰাতি-দিন হয়
আন্ধাৰ পোহৰ

খিৰিকী খুলি অপেক্ষা কৰিলে
এজাক বতাহৰ

সিও সহজ নহয়
আকাশত মেঘ নুঠিলে এজাক বৰষুণৰ ●